গুৱাহাটী বিশ্ববিদ্যালয় স্নাতক ষষ্ঠ ষান্মাসিকৰ

৬.৫৬ নং প্ৰশ্নকাকতৰ বাধ্যতামূলক গৱেষণা পত্ৰ

# বিষয় – তন্ত্ৰশংকৰা গাঁৱৰ কৃষিভিত্তিক উৎসৱ অনুষ্ঠান ঃ পৰম্পৰা আৰু বিশ্বায়নৰ প্ৰভাৱ


তত্বাৱধায়িকা

ড° হীৰামণি তালুকদাৰ

সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়

গৱেষিকা ছাত্ৰী

নাম ঃ তৃষ্ণা দাস

শ্ৰেণী ঃ ষষ্ঠ ষান্মাসিক

ৰোল নং ঃ UA-211-193-0292

পঞ্জীয়ন নং ঃ 21086581

অসমীয়া বিভাগ


মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়, নলবাৰী

: সূচীপত্ৰ :


| বিষয় | পৃষ্ঠা নং |
|---|---|
| পাতনি | ক খ |
| কৃতজ্ঞতা স্বীকাৰ | গ ঘ |
| মানচিত্ৰ | ঙ |
| ১.০০ অৱতৰণিকা | ১-৫ |
| ১.১. আৰম্ভণি | |
| ১.২. অধ্যয়নৰ বিষয়বস্তু | |
| ১.৩. অধ্যয়ন ক্ষেত্ৰ | |
| ১.৪. অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য | |
| ১.৫. অধ্যয়নৰ প্ৰয়োজনীয়তা | |
| ১. ৬. পূৰ্বকৃত অধ্যয়ন | |
| ১.৭. অধ্যয়নৰ পদ্ধতি | |
| ১.৮. প্ৰমেয় | |
| প্ৰথম অধ্যায়:২.০০ গাঁৱৰ পৰিচয় | ৬-১৪ |
| ২.১. নলবাৰী জিলাৰ পৰিচয় | |
| ২.২. গাঁৱৰ ভৌগোলিক স্থিতি, সীমা আৰু মাটিকালি | |
| ২.৩. গাঁৱৰ জনসংখ্যা | |
| ২.৪. গাঁৱৰ জীৱিকা | |
| ২.৫. গাঁৱৰ ধৰ্ম | |
| ২.৬. গাঁৱৰ প্ৰসিদ্ধ স্থান | |

দ্বিতীয় অধ্যায় : ৩.০০ সংস্কৃতিৰ স্বৰূপ ১৬-২২
৩.১. সংস্কৃতিৰ সংজ্ঞা আৰু শ্ৰেণীবিভাজন
৩.২. অভিজাত সংস্কৃতি
৩.৩. লোকসংস্কৃতি
৩.৪. জনজাতীয় সংস্কৃতি
তৃতীয় অধ্যায় : ৪.০০ লোকাচাৰ ২৩-৩২
৪.১. লোকাচাৰৰ অৰ্থ, সংজ্ঞা আৰু স্বৰূপ
৪.২. লোকাচাৰৰ সৈতে সামাজিক সম্পৰ্ক
৪.৩. পৰম্পৰাগত উৎসৱ-অনুষ্ঠানৰ গুৰুত্ব
চতুৰ্থ অধ্যায় : ৫.০০ বহাগ বিহুৰ লোকাচাৰ ৩৩-৪৩
৫.১. গৰু বিহু
৫.২. মানুহ বিহু
৫. ৩. ৰংঘৰী উৎসৱ পালন
৫.৪. প্ৰসাধন হিচাপে জেতুকা
৫. ৫. বহাগ বিহুত খোৱা লোৱা এবিধ শাক
৫. ৬. বিশ্বায়নৰ প্ৰভাৱত বহাগ বিহু

পঞ্চম অধ্যায় : ৬.০০ কাতি বিহুৰ লোকাচাৰ ৪৪-৪৮
৬.১. তুলসী গছ ৰোপণ পৰম্পৰা
৬.২. আকাশ বন্তি
৬.৩. বিশ্বায়নৰ প্ৰভাৱত কাতি বিহু

ষষ্ঠ অধ্যায় : ৭.০০ মাঘ বিহুৰ লোকাচাৰ ৪৯-৫৬
৭.১. মাঘ বিহুৰ লগত জড়িত নীতি-নিয়ম
৭.২. মাঘ বিহুৰ লোকবিশ্বাস
৭.৩ বিশ্বায়নৰ প্ৰভাৱত মাঘ বিহু

৮.০০ উপসংহাৰ ৫৭-৫৮
গ্ৰন্থপঞ্জী ৫৯-৬০
সংবাদদাতা ৬১
আলোকচিত্ৰ ৬২-৬৫

# পাতনি

অৱশ্যংকৰা গাওঁলনৰ বিষয়ক লৈ গৱেষণা কাৰ্যত অৱতীৰ্ণ হʼবলগীয়া পথটো পাংগুৰ পৰ্বত আৰোহণৰ প্ৰচেষ্টা বুলি অনুভৱ কৰিছোঁ। এক বহল বিষয়ৰ গৱেষণা ক্ষেত্ৰলৈ এয়া ক্ষুদ্ৰ প্ৰচেষ্টা। গাওঁলনৰ সংস্কৃতি, লোকাচাৰ আদি বিষয়টিলৈ বিশেষ আগ্ৰহেৰে গৱেষণা কাৰ্য আৰম্ভ কৰিছোঁ। সংস্কৃতি, লোকাচাৰৰ সামাজিক দিশ কʼত, জন্ম কত গৱেষণাৰ মাধ্যমেৰে বিচাৰিবলৈ চেষ্টা কৰা হʼল। প্ৰথমতে বিষয়টি কʼৰ পৰা আৰম্ভ কৰিম বুলি বিচাৰি পোৱা নাছিলো যদিও সেয়া সম্ভৱ হৈছিল ক্ৰমে অধ্যয়নৰ যোগেদি। কোনো এটা জাতিৰ জীৱন ধাৰণ প্ৰণালী, লোকাচাৰৰ ধৰ্ম আদি বিষয়বোৰ কিছু পৰিমাণে স্পৰ্শকাতৰ, সেয়ে জাতিটোৰ কোনো বিষয়ত আঘাত নোহোৱাকৈ গৱেষকৰ দৃষ্টিৰে নিৰপেক্ষ অধ্যয়ন কৰিবলৈ আৰম্ভণিৰে পৰা যত্নকৰ হৈছো।

গৱেষণাৰ প্ৰকল্পৰ বিষয়টো পৰ্য্যালোচনাৰ সুবিধাৰ্থে ছয়টা অধ্যায়ত ভাগ কৰা হৈছে। প্ৰস্তাৱনাক মূল অধ্যায় হিচাপে লৈ অধ্যয়নৰ বিষয়বস্তু, ক্ষেত্ৰ, লক্ষ্য আৰু উদ্দেশ্য, প্ৰয়োজনীয়তা, পূৰ্বীকৃত অধ্যয়ন, অধ্যয়নৰ পদ্ধতি আৰু প্ৰমেয় উল্লেখ কৰা হৈছে। প্ৰথম অধ্যায়ত

গাঁৱৰ পৰিচয়ৰ লগতে নলবাৰী জিলাৰ পৰিচয়, দ্বিতীয় অধ্যায়ত সংস্কৃতিৰ স্বৰূপ, তৃতীয় অধ্যায়ত লোকাচাৰ, চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ অধ্যায়ত বহাগ বিহু, কাতি বিহু, মাঘ বিহুৰ লোকাচাৰ আৰু বিশ্বায়নৰ প্ৰভাৱ আদি সন্নিবিষ্ট কৰা হৈছে।

## কৃতজ্ঞতা স্বীকাৰ

অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতক ষষ্ঠ ষাণ্মাসিকৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিছে বাধ্যতামূলক গৱেষণা পত্ৰ। মই মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰী। উচ্চ শিক্ষাৰ নৱ শিক্ষানীতিৰ ভিতৰত গৱেষণা পত্ৰ প্ৰস্তুত কৰাটো এক উল্লেখযোগ্য দিশ। স্নাতক পৰ্যায়ত গৱেষণাৰ দিশৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে ইয়াৰ মানদণ্ড বহু পৰিমাণে উন্নতোলৈ নিছে আৰু গৱেষণাই কোনো সমস্যা সমাধান কৰি এক আদৰ্শ প্ৰতিষ্ঠা কৰে, লগতে এই আদৰ্শয়ে সমাজৰ অগ্ৰগতিত সহায় কৰে। সেয়ে অসমীয়া বিষয়ত (ASM-HE-6056) এনে পাঠ্যক্ৰম অন্তৰ্ভুক্তিৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয় ধন্যবাদৰ পাত্ৰ।

বাধ্যতামূলকভাৱে প্ৰস্তুত কৰা গৱেষণা পত্ৰৰ বিষয় হিচাপে মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° হীৰামণি তালুকদাৰ বাইদেউৰ তত্ত্বাৱধানত তথা বিভাগৰ অন্যান্য ছাৰ-বাইদেউৰ সহযোগত "অনুশ্ৰ: কৰা গাঁৱৰ কৃষিভিত্তিক উৎসৱ-অনুষ্ঠান: পৰম্পৰা আৰু বিশ্বায়নৰ প্ৰভাৱ" বিষয়টো বাছি লৈছো। এই গৱেষণা কাকতখন প্ৰস্তুত কৰোঁতে বিশেষভাৱে


সহায় কৰা মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা তথা মোৰ গৱেষণা কাৰ্যৰ তত্ত্বাৱধায়িকা ড° হীৰামণি তালুকদাৰ বাইদেউক আন্তৰিক কৃতজ্ঞতা জনালোঁ।

গৱেষণা কাকতখন প্ৰস্তুত কৰোঁতে ব্যৱহাৰ কৰা প্ৰয়োজনীয় তথ্যপাতিৰ লগতে প্ৰয়োজনীয় গ্ৰন্থৰ বাবে মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ পুথিভঁৰালৰ সহায় লৈছোঁ। এই ক্ষেত্ৰত পুথিভঁৰালৰ সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনালোঁ।

এই গৱেষণা বিষয়টি প্ৰস্তুত কৰোঁতে সৰ্বতো প্ৰকাৰে উৎসাহ আৰু আশীৰ্বাদ দিয়া মোৰ পৰিয়ালৰ আটাইকেইজন ব্যক্তিলৈ তথা সকলো ক্ষেত্ৰতে সহায় কৰা বান্ধৱী ক্ৰমে গীতুমণি, প্ৰস্তুতি, প্ৰণামি আদিলৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। ইয়াৰ লগতে অসমীয়া বিভাগৰ প্ৰতিগৰাকী ছাৰ বাইদেউক মোৰ ফালৰ পৰা আন্তৰিক শ্ৰদ্ধা জনালোঁ।

তাৰিখ-০৩-০৫-২০২৪

শ্ৰী তৃষ্ণা দাস



১.০০ অৱতৰণিকা :

১.১. আৰম্ভণি: সংস্কৃতি এটা জাতিৰ জীৱনধাৰা। এটা ক্ৰমোন্নতিশীল জাতিৰ জাতীয় সম্পদ হ'ল ভাষা, সাহিত্য, ৰীতি-নীতি, ধৰ্ম, মানসিক উৎকৰ্ষ, সুকুমাৰ কলা, স্থাপত্য, ভাস্কৰ্য্য, লোকবিশ্বাস আদি। মানুহৰ সৌন্দৰ্যবোধ, সৃষ্টি প্ৰতিভা আৰু মানসিক উৎকৰ্ষই সংস্কৃতিৰ উৎস। আদিম মানৱে ঐন্দ্ৰজালিক ক্ৰিয়া-কাণ্ড উদ্‌যাপন কৰাৰ মূলতে আছিল ভয়াবহ প্ৰকৃতিক সন্তুষ্ট কৰা, দিনবোৰ দীঘলীয়া কৰা, শীতকালক দূৰীভূত কৰা, সোতিপথাৰ, অৰণ্য, আকাশ আদিৰ দেৱ-দেৱীক সন্তুষ্ট কৰা আৰু বিশেষকৈ আই ধৰিত্ৰীৰ উৰ্বৰতা বৃদ্ধি কৰা। মানুহৰ মন প্ৰগতিশীল, সংস্কৃতিও প্ৰগতিশীল। আহাৰ বিচাৰি ফুৰা আদিম মানুহে পৃথিৱী কৰ্ষণ কৰি, শস্য উৎপাদন কৰি পেট পূৰাই খাবলৈ শিকিলে। শস্য উৎপাদনৰ আনন্দই জন্ম দিলে উৎসৱৰ। শস্যদাত্ৰী পৃথিৱীৰ প্ৰতি কৃতজ্ঞতা জনাই সৃষ্টি ক্ষমতাক স্বীকৃতি দি পূজা কৰিলে মাতৃৰূপা পৃথিৱীক। পূজাৰ সময়ত পুঞ্জীভূত অনুভূতিয়ে আত্মপ্ৰকাশ কৰিলে সংগীত হৈ।

স্থান কাল পাত্ৰই জন্ম দিলে সীমাহীন লোকাচাৰ- লৌকিক সংস্কৃতি। প্ৰায়বিলাক উৎসৱ-অনুষ্ঠানৰ অন্তৰালত আছে আদিম মানৱৰ বিশ্বাস আৰু ক্ৰিয়া-কাণ্ড। উৎসৱ অনুষ্ঠিত হোৱাৰ সময়ত মানুহে পৰম্পৰাগত

পোছাক-পৰিচ্ছদ পৰিধান কৰে। উৎসৱ আচৰণত সন্তুষ্টি, মঙ্গল কামনা আদি ভাৱ প্ৰকাশ পায় গোৱা লোৱা আদিৰ জৰিয়তে। এই আচৰণৰাজিবোৰৰ সমষ্টিয়েই উৎসৱ। উৎসৱ শব্দটোৰ অৰ্থই হৈছে মানুহক উৎসাহিত কৰা, মানুহৰ প্ৰতি মানুহক শ্ৰদ্ধাশীল কৰি তোলা, আনন্দত মতলীয়া কৰি তোলা, উদ্বুদ্ধ কৰি তোলা। উৎসৱৰ লগত জড়িত হৈ থাকে নাচ-গান, গীত-নৃত্য, পূজা-সেৱা, খেলা-ধূলা ইত্যাদি অনেক অনুষ্ঠান। আদিম লোকসমাজৰ বিশ্বাস আছিল যে এইবোৰ কাৰ্যত যাদুকৰী শক্তি নিহিত হৈ থাকে। উৎসৱ-পাৰ্বণবোৰৰ মাজত এটা জাতিৰ পৰিচয় ফুটি উঠে। পূৰ্বৰে পৰা চলি অহা পৰম্পৰাগত উৎসৱ-পাৰ্বণসমূহ বিশ্বায়নৰ প্ৰভাৱত বহুখিনিয়ে লোপ পাইছে যদিও অধ্যয়ন কৰা গাঁৱৰ ভালেখিনি উৎসৱ পূৰ্বৰ ৰীতি-নীতিমতে এতিয়াও চলি আছে।

১.২. অধ্যয়নৰ বিষয়বস্তু :

অসম ৰাজ্যৰ জিলাসমূহৰ ভিতৰত নলবাৰী এখন উল্লেখযোগ্য জিলা। নলবাৰী জিলাৰ গাঁওসমূহৰ ভিতৰত আমাৰ অধ্যয়ন কৰা গাঁওখনও উল্লেখযোগ্য। অধ্যয়ন কৰা গাঁওত বিভিন্ন উৎসৱ-অনুষ্ঠান পালন কৰা হয়। সেয়েহে "অধ্যয়ন কৰা গাঁৱৰ কৃষিভিত্তিক উৎসৱ অনুষ্ঠান : পৰম্পৰা আৰু বিশ্বায়নৰ প্ৰভাৱ" শীৰ্ষক বিষয়টো অধ্যয়নৰ বিষয়বস্তু হিচাপে বাচনি কৰা হৈছে।

১.৩. অধ্যয়ন ক্ষেত্র :

ক্ষেত্র অধ্যয়ন হৈছে ভৌগোলিক বিষয়ৰ এক অন্যতম অংশ। ক্ষেত্র ভিত্তিক অধ্যয়নে অঞ্চলসমূহৰ জৈৱিক আৰু অজৈৱিক উপাদানসমূহৰ উপস্থিতি আৰু চাৰিওফালৰ পৰিবেশৰ অৱস্থাৰ বিষয়ে জ্ঞান আহৰণ কৰাত সহায় কৰে। নলবাৰী জিলাৰ তপ্ৰশ্যংকৰা গাওঁখন ক্ষেত্ৰভিত্তিক অধ্যয়নৰ ক্ষেত্র হিচাপে বাচি লোৱা হৈছে। গাওঁখনৰ ভৌগোলিক অৱস্থান, লোকাচাৰ, ধৰ্ম, জীৱিকা ইত্যাদি সম্পৰ্কে অধ্যয়ন কৰাৰ বাবে বাচি লোৱা হৈছে।

১.৪. অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য :

তপ্ৰশ্যংকৰা গাঁৱৰ গাওঁবাসীৰ পৰিচয়ৰ লগতে এওঁলোকৰ মাজত প্ৰচলিত লোকাচাৰ সম্পৰ্কে আলোচনা কৰা।

তপ্ৰশ্যংকৰা গাঁওত প্ৰচলিত উৎসৱ অনুষ্ঠান, আৰু ইয়াৰ পৰম্পৰা লগতে বিশ্বায়নৰ প্ৰভাৱ বিষয়ে আলোচনা আগবঢ়োৱা।

১.৫. অধ্যয়নৰ প্ৰয়োজনীয়তা :

বৰ্তমান শিক্ষা ব্যৱস্থাত গৱেষণা এটা গুৰুত্বপূৰ্ণ দিশ। ভাৰতবৰ্ষৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ দৰে গুৱাহাটী বিশ্ববিদ্যালয়ো স্নাতক মহলাৰ ষষ্ঠ ষাণ্মাসিকৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিছে 'ক্ষুদ্ৰ গৱেষণা পত্ৰ' বিষয়টো।

এই গৱেষণাৰ বিষয় হিচাপে বাছি লোৱা হৈছে "তঙ্গ্ৰশং কৰা গাঁৱৰ কৃষিভিত্তিক উৎসৱ অনুষ্ঠান: পৰম্পৰা আৰু বিশ্বায়নৰ প্ৰভাৱ" শীৰ্ষক বিষয়টি। অসমীয়া প্ৰায় মানুহৰ মূল জীৱিকা হৈছে কৃষি আৰু ইয়াৰ লোকউৎসৱসমূহো উদ্‌যাপিত হয় খেতিৰ আৰম্ভণিত আৰু খেতি চপোৱাৰ সময়ত। তঙ্গ্ৰশং কৰা গাঁৱৰ বিষয়ে যিহেতু এতিয়ালৈকে অধ্যয়ন হোৱা নাই সেয়েহে গাওঁখনৰ উৎসৱ অনুষ্ঠানৰ পৰম্পৰা আৰু বিশ্বায়নৰ প্ৰভাৱ সম্পৰ্কে অধ্যয়নৰ এক প্ৰয়োজনীয়তা আছে।

১.৬. পূৰ্বীক্ষিত অধ্যয়ন :

অতীতত তঙ্গ্ৰশং কৰা গাঁৱৰ কৃষিভিত্তিক উৎসৱ অনুষ্ঠানৰ বিষয়ে কোনোধৰণৰ অধ্যয়ন হোৱা নাই। সেয়েহে অতীতৰ কালৰ কোনোধৰণৰ লিখিত তথ্য পোৱা নাযায়।

১.৭. অধ্যয়নৰ পদ্ধতি :

এই এখন গৱেষণা পত্ৰ প্ৰস্তুতকৰণৰ বাবে বিভিন্ন পদ্ধতিৰ আৱশ্যক। এই গৱেষণা পত্ৰখন প্ৰস্তুতকৰণৰ বাবে বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিক অৱলম্বন কৰা হৈছে।

১.৮. প্ৰমেয় :

এই অধ্যয়নৰ প্ৰথম প্ৰমেয় এই যে,

আমাৰ গাওঁসমূহৰ পৰিচয়ৰ লগতে নলবাৰী জিলাৰ খুলমূল আভাস।

এই অধ্যয়নৰ দ্বিতীয় প্ৰমেয় এই যে, সংস্কৃতিৰ স্বৰূপ, সংজ্ঞা আদিৰ চমু আলোচনা।

এই অধ্যয়নৰ তৃতীয় প্ৰমেয় এই যে, লোকাচাৰৰ সৈতে সামাজিক সম্পৰ্কৰ কিছু ধাৰণা।

এই অধ্যয়নৰ চতুৰ্থ প্ৰমেয় এই যে, ~~ৰব~~ বহাগ বিহুৰ লোকাচাৰ আৰু বিশ্বায়নৰ প্ৰভাৱ।

এই অধ্যয়নৰ পঞ্চম প্ৰমেয় এই যে, কাতি বিহুৰ লোকাচাৰ আৰু বিশ্বায়নৰ প্ৰভাৱ।

এই অধ্যয়নৰ ষষ্ঠ প্ৰমেয় এই যে, মাঘ বিহুৰ লোকাচাৰ আৰু বিশ্বায়নৰ প্ৰভাৱৰ কিছু ধাৰণা।

## 2.00 গাঁৱৰ পৰিচয়:

আমাৰ গাওঁখনৰ নাম তন্ত্ৰশংকৰা। দক্ষিণ পূৱত অৱস্থিত এই গাওঁখনৰ মাজেৰে বৈ গৈছে ভূটানৰ পৰ্বত পৰা ওলোৱা পাগলাদিয়া নদী। যাৰ বাবে গাওঁখন দুভাগত বিভক্ত হৈ আছে। দুটা ভাগত বিভক্ত হোৱা বাবে এটা পাৰক পূবপাৰ আৰু আনটো পাৰক পশ্চিমপাৰ বুলি আখ্যা দিয়া হৈছে। গাওঁখনৰ মাজেৰে নদীখন বৈ যোৱা বাবে এটা পাৰৰ পৰা আনটো পাৰলৈ অহা-যোৱা কৰিবলৈ হ'লে প্ৰায় ৪/৫ কিলোমিটাৰ ঘূৰি যাব লাগে। অৱশ্যে খৰালি কালত নদীৰ পানী কিছু শুকাই বাবে গাওঁখনৰ দুয়োপাৰৰ মানুহে নদী পাৰ হৈ অহা-যোৱা কৰিব পাৰে।

নলবাৰী জিলাৰ অন্তৰ্গত তন্ত্ৰশংকৰা গাওঁখনত প্ৰাচীনৰে বিভিন্ন ধৰণৰ ধৰ্মীয় অনুষ্ঠান অনুষ্ঠিত হৈ আহিছে। এই অনুষ্ঠানসমূহৰ ভিতৰত— কীৰ্তন, কৃষ্ণৰ জন্মাষ্টমী, শংকৰদেৱৰ জন্মোৎসৱ, দুৰ্গাপূজা, শিৱপূজা, সভা ইত্যাদি অন্যতম। এই অনুষ্ঠানসমূহে গাঁৱৰ ৰাইজক একতাৰ ডোলেৰে বান্ধি ৰাখিছে। ৰাইজৰ দান-বৰঙণিৰে এই অনুষ্ঠানসমূহ অতীজৰে পৰা বৰ্তমানলৈকে অতি সুন্দৰভাৱে চলি আহিছে।

তন্ত্ৰশংকৰা গাওঁখনত (নদীখনৰ পূবপাৰে) আছে— বুঢ়া গোঁসাইৰ থান, য'ত প্ৰতিবছৰে আনুষ্ঠানিকভাৱে দুৰ্গাপূজা উদযাপন কৰা হয়। এই বুঢ়াগোঁসাইৰ থানৰ নিচেই ওচৰতে

আছে— 'তৰ্ণশংকৰা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ' আৰু এখন 'অংগন-বাড়ী কেন্দ্ৰ'। ইয়াৰ উপৰিও আছে আজি কিছুবছৰ আগত নিৰ্মাণ কৰা এটা শিৱমন্দিৰ। য'ত অনুষ্ঠুপীয়াকৈ শিৱপূজা পালন কৰা হয়।

আনহাতে, আনটো পাৰত অৰ্থাৎ নদীখনৰ পশ্চিম পাৰত আছে— 'শ্ৰী শ্ৰী কলীয়া ঠাকুৰ সত্ৰ কীৰ্ত্তন ঘৰ', 'দক্ষিণ চুবুৰী নামঘৰ', 'জয়পাল থান', 'শিৱৰ থান', 'ড° ভূপেন হাজৰিকা সাংস্কৃতিক মঞ্চ'। ইয়াৰ লগতে আছে 'শ্ৰী শ্ৰী কলীয়া ঠাকুৰ সত্ৰ কীৰ্ত্তন ঘৰ'ৰ দুটি পুখুৰী। ইয়াৰে এটা পুখুৰী আকৃতিত ডাঙৰ বাবে ইয়াৰ নাম বৰপুখুৰী দিয়া হৈছে। এই পুখুৰীটো ব্যৱসায় অৰ্থাৎ মীন পালনৰ বাবে ব্যৱহাৰ কৰে। ইয়াৰ বিপৰীতে আনটি পুখুৰী আকৃতিত সৰু বাবে ইয়াক সত্ৰৰ কাম-কাজৰ বাবে ব্যৱহাৰ কৰে।

ইয়াৰ উপৰিও কীৰ্ত্তন ঘৰটোৰ কাষৰিতে আছে এখন প্ৰাথমিক বিদ্যালয়। বিদ্যালয়খনৰ নাম হৈছে 'তৰ্ণশংকৰা প্ৰাথমিক বিদ্যালয়'। এই বিদ্যালয়খন গাঁৱখনৰ লৰা-ছোৱালী শিক্ষাৰ ক্ষেত্ৰত আগুৱাই যোৱাৰ অৰ্থে ১৯৪৮ চনত স্থাপিত কৰা হৈছিল। পূৰ্বতে বিদ্যালয়খনত গাঁৱখনৰ প্ৰায় সংখ্যক লৰা-ছোৱালীয়ে অধ্যয়ন কৰিছিল। কিন্তু দুখৰ বিষয় এইটোৱে যে বৰ্তমান বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অতি সীমিত।

২.১. নলবাৰী জিলাৰ পৰিচয়:

অসমৰ বৰ্তমান ৩৩ খন জিলাৰ ভিতৰত নলবাৰী জিলা অন্যতম। ১৯৮৫ চনৰ ১৪ আগষ্টত নলবাৰীয়ে এক সুকীয়া জিলা হিচাপে অসমৰ ৰাজনৈতিক আৰু প্ৰশাসনিক মানচিত্ৰত স্বীকৃতি লাভ কৰে। অসম চৰকাৰৰ ১৪/৮/১৯৮৫ তাৰিখৰ GAG(B)/46/84/33 নং অধিসূচনা মৰ্মে নলবাৰী চহৰক জিলাৰ সদৰ হিচাপে লৈ এই জিলাখন গঠন হয়। ইয়াৰ আগতে ১৯৬৭ চনৰ পৰাই (তাৰিখ ১-৪-১৯৬৭) নলবাৰী অবিভক্ত কামৰূপ জিলাৰ এটা মহকুমা আছিল। ইয়াৰ অৱস্থিতি ২৬°১০′ উত্তৰ অক্ষৰেখাৰ পৰা ২৬°৪৭′ উত্তৰ অক্ষৰেখালৈ আৰু ৯০°১৫′ পূব দ্ৰাঘিমাৰ পৰা ৯১°৩৮′ পূব দ্ৰাঘিমালৈ বিস্তৃত।

নলবাৰী জিলা ৯টা ৰাজহ চক্ৰ আৰু ৭টা উন্নয়ন খণ্ডক লৈ গঠন হৈছিল আৰু বৰ্তমানে এই জিলা ১১টা ৰাজহ চক্ৰ আৰু ১২টা উন্নয়ন খণ্ডলৈ বৃদ্ধি পাইছে। নলবাৰী জিলাৰ পূবে কামৰূপ জিলা, উত্তৰে ভূটানৰ আন্তৰ্জাতিক সীমা, পশ্চিমে বৰপেটা জিলা আৰু দক্ষিণে কামৰূপ জিলাৰে আবৃত। জিলাখনত মুঠ গাঁও পঞ্চায়তৰ সংখ্যা ১১০ খন আৰু মুঠ গাঁৱৰ সংখ্যা ৪৮২৭ খন। ইয়াৰে ৮০৩ খন গাঁৱত জনবসতি আছে। বাকী ২৪ খন গাঁও নদী খহনীয়াৰ বাবে জনবসতিহীন হৈ পৰিছে। জনসংখ্যাৰ ফালৰ পৰা জিলাখনৰ জনসংখ্যা অসমৰ মুঠ জনসংখ্যাৰ ৪.৩১ শতাংশ।

নলবাৰী নামৰ উৎপত্তি সম্পৰ্কে ভিন্ন মত পোৱা যায়। কথিত আছে বৰ্তমান নলবাৰী চহৰৰ মাজেৰে এসময়ত নোৱা নামে এখন নৈ বৈ গৈছিল। জাপাৰকুছিকে ধৰি সমগ্ৰ অঞ্চলটো দ বিল আছিল। পিছত ভূমিকম্পত এই বিলখন বামত পৰিণত হয় আৰু নল-খাগৰিৰে ভৰি পৰে। উনৈছ শতিকাৰ মাজভাগত ভূটীয়াসকলে গোসাঁই কমল আলি পৰ্যন্ত উত্তৰ দিশৰ পৰা অত্যাচাৰ আৰম্ভ কৰে। এই অত্যাচাৰত বহুতো লোকে স্থানচ্যুত হৈ দক্ষিণ দিশলৈ গুচি যায়। ইতিমধ্যে বিলৰ পৰা বামত পৰিণত হোৱা নল খাগৰিৰে ভৰপূৰ জাপাৰকুছি অঞ্চলটোত এই স্থানচ্যুত লোকসকলে বসতি আৰম্ভ কৰে। এই অঞ্চলটোৰ উত্তৰ-পূৱ দিশত খাটাবাৰী নামৰ গাঁও এখন আছিলেই। নৱাগতসকলে খাটাবাৰী নামৰ সাদৃশ্যৰে তেওঁলোকৰ নতুন বসতি অঞ্চলটোৰ নাম নলবাৰী ৰাখিছিল বুলি অনুমান কৰা হয়। আন এক মত অনুসৰি ব্ৰহ্মপুত্ৰ নৈখনৰ উত্তৰ পাৰৰ এই সাৰুৱা অঞ্চলটো ঘন জনবসতিৰ বাবে নৰ+বাৰী = নৰবাৰী হয় আৰু পিছলৈ 'নৰবাৰী'ৰ পৰা 'নলবাৰী' (নৰবাৰী > নলবাৰী) হয়।

অসমৰ মুঠ আয়তনৰ ২.৮৮ শতাংশ নলবাৰী জিলা আগুৰি আছে আৰু ইয়াৰ বিপৰীতে জিলাখনে অসমৰ মুঠ জনসংখ্যাৰ ৪.৩১ শতাংশ জনসংখ্যা বহন কৰিবলগীয়া হৈছে।

সমগ্ৰ নলবাৰী জিলাক তিনিটা ভূ-প্ৰাকৃতিক

অঞ্চলত ভাগ কৰিব পাৰি :

ক) উত্তৰৰ হিমালয়ৰ পাদদেশীয় অঞ্চল (ভাবৰ-তৰাই)

খ) মধ্যভাগৰ সুগঠিত সমভূমি আৰু

গ) দক্ষিণৰ চৰ অঞ্চলকে ধৰি বানপানী আপ্লুত অঞ্চল।

২.২. গাঁৱৰ ভৌগোলিক স্থিতি, সীমা আৰু মাটিকালি :

অধ্যয়ন কৰা গাওঁখন নলবাৰী জিলাৰ সদৰৰ পৰা প্রায় ৩/৪ কিলোমিটাৰ দূৰত্বত দক্ষিণ-পূৱ দিশত অৱস্থিত। এই গাওঁখন ২নং খাতা গাওঁ পঞ্চায়তৰ অন্তৰ্গত। গাওঁখনৰ সীমা নিৰ্দ্ধাৰণ কৰিলে আমি পাওঁ— ইয়াৰে পূৱ দিশত গুৱাকুছি, পশ্চিম দিশত দীঘেলী, উত্তৰ দিশত দীঘেলী আৰু খুদ্ৰকুছি আৰু দক্ষিণে বালিলেছা, বালিকুছি গাওঁ।

গাওঁখনৰ মুঠ মাটিকালি হৈছে—১০১৪ বিঘা, ১ কঠা, ১৩ লেছা।

২.৩. গাঁৱৰ জনসংখ্যা :

২০১১ ৰ লোকপিয়ল মতে, অধ্যয়ন কৰা গাওঁখনৰ মুঠ জনসংখ্যা হৈছে ৭৪৯ গৰাকী। ইয়াৰে পুৰুষ জনসংখ্যা ৩৮২ জন আৰু মহিলা জনসংখ্যা ৩৬৭ জনী।

২.৪. গাঁওৰ জীৱিকা :

তত্ৰুশং কৰা গাঁৱখনৰ প্ৰধান জীৱিকা হৈছে কৃষি। অধিসংখ্যক লোকে কৃষিকৰ্মৰ লগত জড়িত। ইয়াৰোপৰি ব্যৱসায়, চাকৰিৰ লগত জড়িত লোকো গাঁওঁখনত আছে। জীৱিকা হৈ মানুহৰ জীৱনৰ মূল চালিকা শক্তি। জীৱিকাৰ দ্বাৰাই মানুহে নিজৰ লগতে পৰিয়ালৰ ভৰণ-পোষণ দিয়ে। মুঠতে গাঁৱখনৰ মানুহে সৰু-ডাঙৰ কৰ্ম যিয়েই নহওঁক কিয় সেই কৰ্ম কৰিয়ে জীৱন-নিৰ্বাহ কৰি আহিছে।

২.৫. গাঁওৰ ধৰ্ম :

ধৰ্মৰ লগত জড়িত হৈ থাকে পূজা-পাৰ্বনবোৰ। গতিকে, ভিন্ ভিন্ ধৰ্মাৱলম্বীৰ মাজত ভিন্ ভিন্ ধৰ্মানুষ্ঠানৰ ব্যৱস্থা আছে। সেই অনুসৰি তত্ৰুশং কৰা গাঁৱখনতো শৈৱ, শাক্ত, বৈষ্ণৱ, ব্ৰাহ্মণ আদি ধৰ্মাৱলম্বীৰ লোক আছে। কিন্তু ধৰ্ম ভিন্ ভিন্ হলেও গাঁৱখনৰ সকলো ৰাইজে মিলিজুলি একেলগে বাস কৰি আহিছে। তদুপৰি পূজা-পাৰ্বনবোৰৰ লগত লৌকিক আনন্দ-উৎসৱ সাঙোৰ খাই আছে। গতিকে, বহুক্ষেত্ৰত গাঁৱখনৰ শাক্তৰ পূজা-পাৰ্বনত বৈষ্ণৱে যোগ দিয়ে; সেইদৰে বৈষ্ণৱৰ উৎসৱত শাক্ত-সকলোও সহযোগ কৰে।

২.৬. গাঁৱৰ প্ৰসিদ্ধ স্থান ঃ

তত্ত্বশংকৰা গাঁৱৰ প্ৰসিদ্ধ স্থানসমূহৰ ভিতৰত শ্ৰী শ্ৰী কলীয়া ঠাকুৰ সত্ৰ কীৰ্ত্তন ঘৰ, জয়পাল থান, বৰখমুৰী, দক্ষিণ ফুৰী নামঘৰ, শিৱমন্দিৰ, বুঢ়াগোঁসাইৰ থান অন্যতম।

ক) শ্ৰী শ্ৰী কলীয়া ঠাকুৰ সত্ৰ কীৰ্ত্তন ঘৰ ঃ তত্ত্বশংকৰা গাঁৱৰ এই কীৰ্ত্তন ঘৰটো ১৭৩০ চনত স্থাপিত হৈছিল। জানিব পোৱা মতে গাঁৱলোকৰ ভক্তসকলে যোজকাৰি বৰপেটা সত্ৰৰ পৰা জ্বলি থকা চাকি এগছি আনি উক্ত কীৰ্ত্তন ঘৰটো স্থাপিত কৰিছিল। তেতিয়াৰ পৰা এতিয়ালৈকে নিতৌ পুৱা-গধূলি সত্ৰৰ পাঠকৰ দ্বাৰা প্ৰসঙ্গ কৰা হয়। এই উক্ত কীৰ্ত্তন ঘৰটোত তাহানিৰ পৰা বৰ্তমানলৈ শংকৰদেৱৰ তিথি, মাধৱদেৱৰ তিথি আৰু মথুৰা দাস বুঢ়াআতাৰ তিথিক কীৰ্ত্তন হিচাপে পালন কৰি আহিছে। শংকৰদেৱৰ তিথিত ৭টা ঘোষা, মাধৱদেৱৰ তিথিত ১০টা, মথুৰা দাস বুঢ়াআতাৰ তিথিত ৮টা ঘোষা গায়।

খ) জয়পাল থান ঃ তত্ত্বশংকৰা গাঁৱত অৰ্থাৎ নদীখনৰ পশ্চিমপাৰে নদীৰ দাঁতিতে মথাউৰিৰ ওপৰত আজিৰ পৰা প্ৰায় তেৰশ বছৰীয়া পুৰণি বহু প্ৰমাণিত এখন জয়পাল থান আছে। এই থানখন কিছু বছৰ আগলৈকে

কিছু জৰাজীৰ্ণ অৱস্থাত আছিল। কিন্তু বৰ্তমান গাঁৱৰ মানুহৰ দান বৰঙণিৰে এই থানখনৰ বহুখিনি উন্নত হৈছে। ২০১৮ চনৰ পৰা এতিয়ালৈকে প্ৰত্যেক বছৰে মাঘ মাহৰ ৩০ তাৰিখে এদিনীয়াকৈ সভা অনুষ্ঠিত হৈ আহিছে।

গ) বৰস্লুইচ: ১৯৮৪ চনত পাগলাদিয়া নদীৰ বাঢ়নী পানীয়ে ধ্বংস কৰা গাঁৱৰ পশ্চিম পাৰৰ মথাউৰি ভাঙে। যাৰ বাবে পশ্চিমপাৰৰ মানুহখিনিয়ে প্ৰায় এবছৰ বা ডেৰবছৰ ধৰি মথাউৰিৰ ওপৰত বসবাস কৰিছিল আৰু তেতিয়াৰ চৰকাৰে অৰ্থনৈতিক দিশ সবল কৰাৰ স্বাৰ্থত উক্ত স্লুইচটো বান্ধিবলৈ ৫ লাখ টকা অনুদান দিয়ে। যিহেতু গাঁৱখনৰ প্ৰায় মানুহে শ্ৰমজীৱী সেয়েহে ১৯৮৫ চনত স্লুইচটো বন্ধা কাম কৰি নিজৰ লগতে পৰিয়ালবৰ্গক পোহপাল দিছিল। এই স্লুইচটো অতীতৰে পৰা এতিয়ালৈ মীন পালনৰ বাবে ব্যৱহাৰ কৰি আহিছে।

## ৩.০০ সংস্কৃতিৰ স্বৰূপ :

অসমীয়া তথা ভাৰতৰ বিভিন্ন প্ৰাদেশিক ভাষাত ইংৰাজী 'কালচাৰ' অৰ্থাৎ Culture শব্দৰ সমাৰ্থকৰূপে সংস্কৃতি শব্দটো ব্যৱহাৰ কৰা দেখা যায়। 'সংস্কৃতি' শব্দটো সংস্কাৰৰ লগত বিশেষভাৱে জড়িত। যাৰ সংস্কাৰ হৈছে সিয়ে সংস্কৃতি। আনো কোনোৱে সেয়েহে ইংৰাজী Culture শব্দৰ পৰিভাষাৰূপে কৃষ্টি শব্দটোকে প্ৰয়োগ কৰে। কৰ্ষণৰ লগত কৃষ্টিৰ সম্পৰ্ক ওতঃপ্ৰোত আৰু কৃষ্টিক সংস্কাৰ কৰি ললেহে সংস্কৃতিৰ জন্ম হয়। একেটা ক্ৰিয়াৰ বাৰম্বাৰ আচৰণ বা আহৃত্তিক কৰ্ষণ বা কৃষ্টি আখ্যা দিব পাৰি; আৰু এই কৃষ্টিক সংস্কাৰ কৰি লোৱাটোৱে নামেই সংস্কৃতি। কৃষিৰ বাবে পথাৰত হাল বোৱা বা কোৰমৰা ক্ৰিয়াৰ নামেই কৃষ্টি আৰু তাৰ ফলস্বৰূপে পথাৰত শস্য উৎপন্ন কৰাৰ বাবে উপযোগী যি সংস্কাৰ, ক্ষমতা বা যোগ্যতা সেয়ে সংস্কৃতি।

খ্ৰীষ্টাব্দ ১৮৫৩ চনত এডৱাৰ্ড টাইলাৰে সৰ্বপ্ৰথম ব্যৱহাৰ কৰা Culture শব্দটোৰ মূল হৈল লেটিন ভাষাৰ 'কোল' ধাতুজাত Colere বা Cultura অৰ্থাৎ কৃষ্টিভূৰা। Colere বা Cultura শব্দৰ অৰ্থ কৰ্ষণ কৰা অথবা খেতি কৰা। গতিকে সংস্কৃতি কৃষ্টি আৰু লেটিন Cultura-ৰ মাজত যে, অৰ্থৰ ফালৰ পৰা মিল আছে তাৰ সন্দেহ নাই। কালচাৰ (culture)ৰ প্ৰতিশব্দৰূপে অসমীয়া পণ্ডিত যোগেন্দ্ৰ চন্দ্ৰ ৰায় বিদ্যানিধিয়ে 'কৃষ্টি' শব্দটো প্ৰয়োগ কৰিছিল। সুনীতি কুমাৰ চট্টোপাধ্যায় জনৈক মহাৰাষ্ট্ৰীয় বন্ধুৰ দ্বাৰা অনুপ্ৰাণিত হৈ সংস্কৃতি শব্দটোৰ প্ৰতি বিশ্বকবি ৰবীন্দ্ৰনাথৰ দৃষ্টি আকৰ্ষণ কৰে। ৰবীন্দ্ৰনাথৰ প্ৰচেষ্টাৰ জৰিয়তে 'সংস্কৃতি' শব্দটি বাংলা ভাষাত গৃহীত হয়।

'আত্মসংস্কৃতির্বাব শিল্পানি' (অর্থাৎ শিল্পসমূহ আমাৰ সংস্কৃতি) কথাষাৰ পোৱা যায় 'ঐতৰেয় ব্ৰাহ্মণ'ত। প্ৰকাৰ্য্যৰ ফালৰ পৰা লেটিনৰ 'কোল' ধাতুজাত 'কুলতুৰা' আৰু ইণ্ডো-এৰিয়ান গোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ সাদৃশ্য পৰিলক্ষ্যণীয়। কৃষ বা কৰ্ষণৰ মাৰ্জিত বা ৰুচিবান হোৱাৰ প্ৰৱণতাও বৰ্তমান থাকে। সংস্কৃতি শব্দটিৰ প্ৰয়োগ বিভিন্ন সন্দৰ্ভত বিভিন্ন প্ৰকাৰে হ'ব পাৰে। নৃত্য-গীত-শিল্পকলা আদিকো সংস্কৃতি আখ্যা দিব পাৰি। অৱশ্যে এই প্ৰসংগত সংস্কৃতিৰ অন্যতম লক্ষ্য হ'লেও সংস্কৃতিৰ পৰিসৰ ইয়াতকৈও ব্যাপক আৰু বিস্তৃত। স্বৰূপাৰ্থত সমগ্ৰ জীৱন চৰ্য্যাৰ মাধ্যমেৰে সংস্কৃতিৰ পূৰ্ণ বিকাশ ঘটে। জীৱনৰ বিভিন্ন কৃতিয়ে সংস্কৃতি (সম্-কৃ+ক্তি)।

৩.১. সংস্কৃতিৰ সংজ্ঞা আৰু শ্ৰেণীবিভাজন:

সংস্কৃতি পদৰ দ্যোতনা অতিকৈ ব্যাপক।

সমাজ বিজ্ঞানী আৰু নৃতত্ত্ববিদ্‌সকলে সময়ে সময়ে সংস্কৃতি বা কালচাৰ (Culture) পদটোৰ বহল ব্যাখ্যা দিয়া দেখা যায়।

ক) কোনো কোনো পণ্ডিতৰ মতে, "সংস্কৃতি সামাজিক সৌন্দৰ্য্য আৰু বৌদ্ধিক পৰমোৎকৰ্ষ (intellectual excellence)।"

খ) মেথিউ আৰনল্ডে কৈছে, "মাধুৰ্য্য আৰু আলোকেই সংস্কৃতি।"

গ) দাৰ্শনিক কাছিৰাৰ (Cassirer), সমাজবিজ্ঞানী চৰকিন (Sorokin) আৰু মেকলভোৰৰ মতে, "মানৱৰ নৈতিক, আধ্যাত্মিক আৰু বৌদ্ধিক বিকাশেই সংস্কৃতি।"

ঘ) দাৰ্শনিক আৰু নৃতত্ত্ববিদ ডেৰিড বিদ্নিৰ মন্তব্য হ'ল কোনো এক ভৌগোলিক পৰিৱেশৰ মাজত মানৱ প্ৰকৃতিৰ উৎকৰ্ষ সাধনেই সংস্কৃতি।

ঙ) টাইলাৰে খ্ৰৃঃ ১৮৭১ চনত 'কালচাৰ'ৰ ব্যাখ্যা এনেদৰে দিছিল— "সমাজৰ অংগীভূত সদস্যৰূপে মানৱে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন, নৈতিকতা, অভ্যাস আৰু অন্যান্য সামাজিক সামৰ্থ্যৰ সামগ্ৰিক যৌগিক ৰূপেই সংস্কৃতি।"

সংস্কৃতিক প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি-

ক) অভিজাত সংস্কৃতি
খ) লোক-সংস্কৃতি
গ) জনজাতীয় সংস্কৃতি

৩.২. অভিজাত সংস্কৃতি :

অভিজাত সংস্কৃতিৰ উদ্ভৱ আৰু বিকাশ লোক-সংস্কৃতিৰ পূৰ্বে নে পৰৱৰ্তী কালত হৈছিল সঠিকভাৱে

কোৱা হয়। ভাৰতবৰ্ষৰ প্ৰসংগত ক'ব পাৰি যে, ২৫০০ বছৰৰ পূৰ্বেই অভিজাত সংস্কৃতিৰ উদ্ভৱ হৈছে। অভিজাত সংস্কৃতিক 'গ্ৰেট ট্ৰেডিচন' আখ্যা দিব পাৰি। লোক-সংস্কৃতিৰ তুলনাত অভিজাত বা শিষ্ট সংস্কৃতি অধিক ৰীতিবদ্ধ, সুনিৰ্দিষ্ট আৰু আত্মসচেতন। অভিজাত বা শিষ্ট সংস্কৃতিক শাস্ত্ৰীয় বা বৈদিকী (Sanskritic) বা মাৰ্গী বা মাৰ্গীয় সংস্কৃতিও বুলিব পাৰি। ভাৰতবৰ্ষৰ প্ৰসংগত কব পাৰি যে, শাস্ত্ৰীয় বা অভিজাত সংস্কৃতি সময়ৰ সোঁতত পৰিৱৰ্তনৰ সন্মুখীন হবলগীয়া হৈছে যদিও ইয়াৰ অবিচ্ছেদ্যতা অব্যাহত গতিত প্ৰৱহমান হৈয়ে আছে।

৩.৩. লোকসংস্কৃতি :

লোক মূলত: সংস্কৃত শব্দ। 'লোক' শব্দৰ দ্বাৰা জনসাধাৰণক বুজোৱা হয়। অৰ্থাৎ লোকসংস্কৃতি মানে জনসাধাৰণৰ সংস্কৃতি। ইংৰাজী 'Folk-Culture' আৰু 'Folk-Lore' শব্দ দুটিৰ অৰ্থ বুজাবলৈ অসমীয়াত 'লোকসংস্কৃতি' পদটো ব্যৱহাৰ হয়। ইংৰাজী Folk-অৰ অৰ্থ জনসাধাৰণ আৰু 'Lore' ৰ অৰ্থ বিদ্যা, জ্ঞান বা মৌখিক পৰম্পৰা। 'Folk-Lore'– এই শব্দটোৱে লোক-জ্ঞান, লোকবিদ্যা বা লোকসংস্কৃতি যি অৰ্থই সূচনা নকৰক, মূলত: এই শব্দই জনসাধাৰণৰ সামূহিক সৃষ্টি আৰু কৰ্মৰাজিসমূহক বুজায়।

লোকসংস্কৃতি লোকজীৱনৰ সঞ্জীৱনী শক্তি স্বৰূপ। ইয়াতেই লুকাই আছে মানৱ হৃদয়ৰ দিব্য, চেতনা,

জীৱনৰ গভীৰ অৰ্থ। যেয়েহে কওঁ পাৰি নগৰ-চহৰ, গাঁৱ ভূঁইকে আদি কৰি সকলো বৰ বিভিন্ন স্তৰৰ লোকেই হৈছে লোকসংস্কৃতিৰ স্ৰষ্টা, ধাৰক আৰু বাহক।

প্ৰথমাৱস্থাত 'Folk-Lore' শব্দে নিচেই ঠেক অৰ্থ সূচাইছিল। এই শব্দটোৰ দ্বাৰা জনসাধাৰণৰ 'মৌখিক কবিতা' অথবা 'জনসাধাৰণৰ ঐতিহ্য'ক বুজোৱা হৈছিল। কিন্তু পাছত যুক্তিৰ আধাৰত 'ফ'কলৰ' বা লোকবিদ্যাৰ বিস্তীৰ্ণ পৰিসৰলৈ দৃষ্টি ৰাখি 'ফ'কলৰ' শব্দ নতুনকৈ গঠন কৰি লোৱা হ'ল। সেই অনুসৰি ইয়ে সামৰি লয়ে আদিম (Primitive) আৰু সভ্য (civilized) জনসাধাৰণৰ মাজত প্ৰচলিত হৈ থকা অতিকথা, লেজেণ্ড, সাধুকথা, প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা, সাঁথৰ, তন্ত্ৰ-মন্ত্ৰ, গালি-শপনি, সাজপাৰ, খাদ্যাভ্যাস, আ-অলংকাৰ, লোকগীত, বাদ্য, নৃত্য, নাট, লোকভাষা, লোক উৎসৱ, স্থাপত্য-ভাস্কৰ্য্য, লোক-শিল্প আদি বিষয়। লোকসংস্কৃতিৰ এই উপাদানসমূহ বিশ্লেষণ কৰিলে দেখা যায় এইবোৰৰ মূলতে আছে লোক মনৰ অকৃত্ৰিম স্বভাৱজাত বিশ্বাস আৰু অন্ধবিশ্বাস।

এইখিনিতে লোকসংস্কৃতিৰ আন এটা বিশেষত্ব উল্লেখনীয়। সেয়া হ'ল সাৰ্বজনীনত্ব আৰু পৰম্পৰা। লোকসংস্কৃতি জীয়াই ৰখা বিভিন্ন উপাদান বা সমলসমূহৰ প্ৰায়ভাগেই বিভিন্ন বৰ্ণ, ধৰ্ম, সম্প্ৰদায়ৰ দ্বাৰা স্বীকৃত আৰু সমাদৃত। উদাহৰণস্বৰূপে: অসমৰ বঙালী বিহুত

ইজনে সিজনক বিদ্বান যাঁটি আন্তরিক স্নেহ, শ্রদ্ধা আৰু সম্প্ৰীতিৰ মনোভাৱে দেখুৱাটো অসমৰ বৰ্ণ, ধৰ্ম, গোষ্ঠী নিৰ্বিশেষে পালনীয় আচাৰ বা ৰীতি। সেইদৰে বিশ্বাস-জনিত আৰু পৰম্পৰাগত অজেস্ৰ, অসংখ্য বিষয় অসমৰ অধিকাংশ ধৰ্ম-বৰ্ণ-সম্প্ৰদায়ৰ লোকে নিৰ্বিবাদে মানি লয়।

ৰিচাৰ্ড এম. ডৰচনে লোক-বিদ্যা আৰু লোক-জীৱনৰ সকলো দিশ বিশ্লেষণ কৰি গোটেইক চাৰিটা ভাগত বিভক্ত কৰিছে—

ক) মৌখিক সাহিত্য
খ) ভৌতিক লোক-সংস্কৃতি
গ) সামাজিক লোকাচাৰ
ঘ) লোক পৰিবেশ্য কলা

৩.৪. জনজাতীয় সংস্কৃতি:

লোকসংস্কৃতি আৰু জনজাতীয় (tribal) সংস্কৃতিৰ মাজত পাৰ্থক্য বিদ্যমান। জনজাতীয় সংস্কৃতি স্বয়ং সম্পূৰ্ণ আৰু তাৰ বিপৰীতে লোকসংস্কৃতি স্বৰূপাৰ্থত সংস্কৃতিৰ উপসংযুক্তিহে। জনজাতীয় সংস্কৃতি কম-বেছি পৰিমাণে অস্পৃষ্ট হৈ থাকে। কোনো জনজাতীয় সংস্কৃতি যদি লোক বা অভিজাত সংস্কৃতিৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱান্বিত হয়— তেন্তে তাক প্ৰকৃতাৰ্থত জনজাতীয় সংস্কৃতি বুলিব নোৱাৰি। জনজাতীয় সংস্কৃতিৰ দ্বাৰা যে লোকসংস্কৃতি অথবা শিষ্ট সংস্কৃতি

প্ৰত্যাশিত হ'ব লোকোৰে তেনে কোনো ধৰা-বন্ধা নিয়ম নাই। অসমৰ সংস্কৃতিৰ প্ৰসংগত ইয়াৰ নিদৰ্শন সুন্দৰভাৱে পোৱা যায়।

৪.০০ লোকাচাৰ:

সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰ বা বিভিন্ন দিশৰ ভিতৰত লোকাচাৰসমূহে তাৎপৰ্য্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ইয়ে সংস্কৃতিৰ আদৰ্শগত আৰু ধৰ্মীয় দিশটোৰ পৰিচয় দিয়ে। লোকাচাৰসমূহ সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজতে প্ৰচলিত। হিন্দু, মুছলমান, খ্ৰীষ্টান তথা বিভিন্ন জাতি জনজাতিৰ মাজত এই আচাৰ অনুষ্ঠানসমূহ পালিত হয়। সেইকাৰণে পৰা লোকাচাৰসমূহক হিন্দু আচাৰ অনুষ্ঠান, ইছলামীয় আচাৰ-অনুষ্ঠান, খ্ৰীষ্টানীয় আচাৰ-অনুষ্ঠান আৰু বিভিন্ন জনগোষ্ঠীয় আচাৰ অনুষ্ঠান ইত্যাদি হিচাপে শ্ৰেণীবিভাজন কৰে।

৪.১. লোকাচাৰৰ অৰ্থ, সংজ্ঞা আৰু স্বৰূপ:

কোনো অঞ্চল বা সমাজত প্ৰচলিত আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, বিভিন্ন ক্ৰিয়াকলাপ আদিক সামাজিক লোকাচাৰ বোলা হয়। লোকাচাৰসমূহৰ সৃষ্টিৰ উৎস হ'ল লোকবিশ্বাস। উৎসৱ-অনুষ্ঠান, মেল-মেলাৰ্মালি, লোক ঔষধ আৰু লোকধৰ্মই লোকাচাৰৰ ভেটি সুদৃঢ় কৰি তোলে। লোক সংস্কৃতিত সামাজিক লোকপ্ৰথা, ধৰ্ম বিশ্বাস, আচাৰ আদিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়। সমাজ আৰু পৰিয়ালৰ মাজত জন্ম, বিবাহ, মৃত্যু, কৃষি আদি সংক্ৰান্তীয় বিভিন্ন ৰীতি-নীতি, আচাৰ-পদ্ধতি গঢ় লৈ উঠে।

এই সকলোবোৰে লোক-সংস্কৃতিৰ এটা সুকীয়া শ্ৰেণীৰ জন্ম দিছে। ইয়াক লোকপ্ৰথা বা লোকাচাৰ আখ্যা দিয়া হৈছে।

লোকাচাৰ সাধাৰণতে শাস্ত্ৰবিশেষৰ অনুশাসনৰ যোগেদি জাপি দিয়া বস্তু নহয়, কোনো ৰাজ্যৰ জনসাধাৰণে চিৰকাল বিশেষকৈ পৰম্পৰাগতভাৱে পালন কৰি অহা ই আচাৰ-নীতি আৰু কাৰ্যকলাপ, ইয়াৰ মাজেদি জনগণৰ ধৰ্মীয়, আধ্যাত্মিক, সামাজিক আদি দিশত লাভ কৰা উৎকৰ্ষ অপকৰ্ষৰ প্ৰমাণ পোৱা যায়। ৰাজ্যৰ প্ৰাকৃতিক ভৌগোলিক প্ৰভাৱ আৰু ধৰ্মীয় পৰম্পৰায়ো অধিবাসীসকলৰ আচাৰ-নীতিৰ সৃষ্টি কৰাত কিছু সহায়তা নকৰাকৈ নাথাকে। এনেধৰণৰ বিভিন্ন লোকাচাৰে অসমৰ লোক সংস্কৃতিৰ ভেঁটি আৰু বহল আৰু সুদৃঢ় কৰি ৰাখিছে।

৪.২. লোকাচাৰৰ সৈতে সামাজিক সম্পৰ্ক :

লোক-সংস্কৃতিত সামাজিক লোকপ্ৰথা, ধৰ্ম-বিশ্বাস, আচাৰ আদিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়। সমাজ আৰু পৰিয়ালৰ মাজত জন্ম, বিবাহ, মৃত্যু, কৃষি আদি সংক্ৰান্তীয় বিভিন্ন ৰীতি-নীতি, আচাৰ-পদ্ধতি গঢ় লৈ উঠে। এই সকলোবোৰে লোক-সংস্কৃতিৰ এটা সুকীয়া শ্ৰেণীৰ জন্ম দিছে। ইয়াক লোক প্ৰথা বা লোকাচাৰ আখ্যা দিয়া হৈছে। লোকপ্ৰথাৰ ভিতৰত নিম্নোক্ত উপাদানবোৰ উল্লেখযোগ্য :

ক) উৎসৱ অনুষ্ঠান

খ) অৱসৰ বিনোদন আৰু খেল ধেমালি

গ) লোক ঔষধ

ঘ) লোক ধৰ্ম

জন্মৰ পৰা মৃত্যু পৰ্যন্ত নানান ধৰণৰ উৎসৱ অনুষ্ঠান অনুষ্ঠিত হয় আৰু সেইবোৰে অসমীয়া লোক-সংস্কৃতিৰ ভেঁটি টনকিয়াল কৰিছে। কিছুমান অনুষ্ঠান দৈৱ শক্তিৰ সম্পৰ্কিত। যেনে: বিহু, বৈসাগু, অম্বুবাসী (আমেতি), জেঠেলী, পচতি, দেউল, ভেকুলিৰ বিয়া, পাৰবা, মথনী, লিসাং, পূজা, বাম্থোলশিতা, বাংকেৰ, গ্ৰাম-ছাৰা ইত্যাদি। লক্ষ্মী পূজা, শীতলা পূজা, সত্যনাৰায়ণ পূজা, শিৱপূজা, দুৰ্গাপূজা, মনসা বা মাৰৈ পূজা, জন্মাষ্টমী, ৰথ যাত্ৰা, ৰাস পূৰ্ণিমা, দৌল যাত্ৰা, বিভিন্ন তিথিত কৰা ব্ৰত আদি সামাজিক জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত।

অসমীয়া লোকসমাজত হাডুখেল, ঢোপ খেল, বলখেল, গুটিখেল, লুকা-লুকি, টাংগুটি, ভেলকুটি-কুটি, বাঘ গৰু, কুকুৰা যুঁজ, ঘোঁৰাদৌৰ, সাঁতোৰ ইত্যাদি খেল বিলাক অতি প্ৰাচীন কালৰে পৰা চলি আহিছে।

ৰোগ, অপায়-অমঙ্গল আদি দূৰ কৰিবলৈ অসমীয়া মানুহে মন্ত্ৰ আৰু যাদুবিদ্যাৰ ব্যৱহাৰ কৰে। বন দৰৱৰ ব্যৱহাৰো অসমীয়া লোকসমাজত আছে। ৰোগ নিৰাময় কৰাৰ নিচিনাকৈ ৰোগৰ সৃষ্টি কৰিবলৈ কুমন্ত্ৰ আৰু বনৰীয়া ঔষধ প্ৰয়োগ কৰাৰ প্ৰমাণো পোৱা যায়।

জনসাধাৰণৰ ধৰ্ম সম্বন্ধীয় বিশ্বাসৰ ভেটিতে গঢ়ি উঠিছে অসমৰ অসংখ্য সামাজিক প্ৰথা। লোক সাহিত্যত ধৰ্ম বিশিষ্ট প্ৰভাৱ অনস্বীকাৰ্য। যাৰ আৰু ধৰ্মক কেন্দ্ৰ কৰি লোকসমাজত নানা পূজা পাৰ্বণ, উৎসৱ-অনুষ্ঠান আদিৰো সৃষ্টি হৈছে আৰু লোকসমাজত ইবোৰৰ প্ৰভাৱো বিশেষভাৱে লক্ষণীয়।

৪.৩. পৰম্পৰাগত উৎসৱ-অনুষ্ঠানৰ গুৰুত্ব :

মানৱ সভ্যতাৰ জন্মৰ লগে লগেই লোক সংস্কৃতিৰো জন্ম হৈছিল। গতিকে লোক সংস্কৃতিৰ ইতিহাস মানৱ সভ্যতাৰ সমানে প্ৰাচীন বুলি কব পাৰি। কিন্তু ইয়াৰ পদ্ধতিগত চিন্তা-চৰ্চা আৰু পদ্ধতিগত বিচাৰ বিশ্লেষণ প্ৰকৃতাৰ্থত খ্ৰীঃ ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধৰ পৰাহে আৰম্ভ হয়। এই লোক সংস্কৃতি আৰু পৰম্পৰাৰ মাজত ওতঃপ্ৰোত সম্পৰ্ক বিদ্যমান। লোক সংস্কৃতি সদায় পৰম্পৰা আশ্ৰিত। পৰম্পৰা অবিহনে লোকসংস্কৃতি বৰ্তি থাকিব নোৱাৰে। পৰম্পৰাবীন সমাজত জনকৃষ্টি বা জনসংস্কৃতিয়েই হওঁক বা লোকসংস্কৃতি বা লোকবিদ্যাই হওঁক সকলোৰে সম্পৰ্ক পৰম্পৰাৰ লগত। এই অসমীয়া শব্দটোৰ ইংৰাজী পৰিভাষা 'Tradition'। লেটিন Tradito শব্দৰ পৰা ইংৰাজী 'Tradition' শব্দৰ উৎপত্তি হৈছে। ইয়াৰ অৰ্থ হৈছে, কোনো এজন লোকৰ পৰা আন এজন লোকলৈ হস্তান্তৰকৰণ।

উৎসৱ- অনুষ্ঠানসমূহ অসমীয়া সংস্কৃতিৰ অপৰিহাৰ্য অংগ। 'উৎসৱ' শব্দটোৰ অৰ্থই হৈছে মানুহক উৎসাহিত কৰা, মানুহৰ প্ৰতি মানুহক শ্ৰদ্ধাশীল কৰি তোলা, আনন্দত মতলীয়া কৰি তোলা, উদ্বুদ্ধ কৰি তোলা। উৎসৱৰ লগত জড়িত হৈ থাকে নাচ-গান, গীত- নৃত্য, পূজা-সেৱা, খেলা-ধূলা ইত্যাদি অনেক অনুষ্ঠান। আদিম লোক-সমাজৰ বিশ্বাস আছিল যে এইবোৰ কাৰ্যত যাদুকৰী শক্তি নিহিত হৈ থাকে।

বিশিষ্ট গৱেষক লোক-সংস্কৃতিৰ সাধক ড° নবীন চন্দ্ৰ শৰ্মাদেৱে 'অসমীয়া লোক-সংস্কৃতিৰ আভাস' গ্ৰন্থত উল্লেখ কৰিছে যে, বিশেষ ঋতুৰ তথা পৰ্য্য বিশিষ্ট সময়ত অনুষ্ঠিত অনুষ্ঠানৰ পৌনঃপুনিকতাই উৎসৱ। এই উৎসৱ অনুষ্ঠান মানৱ সমাজৰ পৰম্পৰাগত আচৰণৰ সংযুক্তি।

নলবাৰী জিলাৰ অন্তৰ্গত অঞ্চলসমূহ কৰা গাঁৱত অনুষ্ঠিত হোৱা উৎসৱ-অনুষ্ঠানসমূহৰ ভিতৰত কীৰ্তন, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, শংকৰদেৱৰ জন্মোৎসৱ, মহোৎসৱ, সভা ইত্যাদি বিশেষভাৱে উল্লেখযোগ্য।

এই অনুষ্ঠানসমূহৰ বিষয়ে তলত আলোচনা কৰা হওঁক —

ক) শ্ৰী কৃষ্ণৰ জন্মাষ্টমী : ভাদ মাহৰ এটি বিশেষ অনুষ্ঠান হ'ল শ্ৰী কৃষ্ণৰ জন্মাষ্টমী। জন্মাষ্টমীৰ দিনা নলবাৰী জিলাৰ

মঠ, মন্দিৰ, সত্ৰ, নামঘৰ আদিত নামকীৰ্ত্তন কৰা হয়। জন্মাষ্টমী উৎসৱত পুৰুষ- নাৰী সকলোৱে অংশ গ্ৰহণ কৰে যদিও মহিলাসকলৰ ভূমিকা বেছি। আয়তীসকলৰ কোনোজনীয়ে দৈৱকী, কোনোজনীয়ে যশোদা কিছুমানে আকৌ গোপীসকলৰ ভূমিকা লৈ জন্মোৎসৱ সম্বন্ধীয় আচাৰ- অনুষ্ঠানসমূহ পালন কৰে।

নলবাৰী জিলাৰ অন্তৰ্গত তন্ত্ৰশংকৰা গাওঁটো প্ৰতিবছৰে আনুষ্ঠানিকভাৱে কৃষ্ণৰ জন্মাষ্টমী পালন কৰা হয়। দক্ষিণ চুৰুৰী নামঘৰটোত এই উৎসৱ পালন কৰা হয়। গাঁৱৰ বাইজৰ দান বৰঙণিৰে এই উৎসৱ পালন কৰা হয়। উক্ত দিনটোত নামঘৰত পুৱাৰে পৰা হৰিনাম চলি থাকে। নাম শেষ হোৱাৰ পিছত প্ৰসাদ বিতৰণ কৰে আৰু দুপৰীয়া সকলো ভক্তপ্ৰাণ বাইজে মিলি জুলি মহাপ্ৰসাদ গ্ৰহণ কৰে। ইয়াৰোপৰি বিভিন্ন ধৰণৰ খেল-ধেমালি অনুষ্ঠিত হয়। সন্ধিয়া নাগাৰা নাম অনুষ্ঠিত কৰা হয়।

খ) শংকৰদেৱৰ জন্মোৎসৱ: অসমৰ এক উল্লেখযোগ্য উৎসৱ হৈছে মহাপুৰুষ শংকৰদেৱৰ জন্মোৎসৱ। শংকৰদেৱৰ জন্মোৎসৱ নলবাৰী জিলাতো উদযাপন কৰা হয়। জিলাখনৰ ভিতৰত মৰোৱাৰ শংকৰদেৱ নামঘৰ আৰু বৰভলাৰ শংকৰদেৱ নামঘৰত মহাসমাৰোহেৰে উদযাপন কৰা শংকৰদেৱৰ জন্মজয়ন্তী সাংস্কৃতিক ঐতিহ্যত পৰিণত হৈছে।

ঠিক সেইদৰে নলবাৰী জিলাৰ তন্ত্ৰশংকৰা গাঁওতো দক্ষিণ নলবাৰী আঞ্চলিক সমিতিৰ সহযোগত ১৯৮৪ চনৰ পৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মজয়ন্তী পালন কৰি আহিছে। শ্ৰী শ্ৰী কলীয়া ঠাকুৰ সত্ৰ প্ৰাঙ্গণত এই উৎসৱ অনুষ্ঠিত হৈ আহিছে। উৎসৱ অনুষ্ঠিত হোৱাৰ প্ৰথম দিনা ভাগৱত স্থাপন কৰা হয়। দ্বিতীয় দিনা ভাগৱত শোভাযাত্ৰা কাৰ্যসূচী ৰূপায়ন কৰা হয়। শোভাযাত্ৰাৰ পৰা আহি সকলো ধৰ্মপ্ৰাণ ৰাইজে মহাভক্তিৰে মহাপ্ৰসাদ গ্ৰহণ কৰে। ইয়াৰোপৰি দিহানাম প্ৰতিযোগিতা, কবিতা আবৃত্তি, ভেকচন প্ৰতিযোগিতা, বিভিন্ন ধৰণৰ খেল-ধেমালি আদি অনুষ্ঠিত হয়। লগতে সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত হয়। ইয়াৰ লগতে কিছুমান বিশিষ্ট ব্যক্তিক অতিথিৰূপে আমন্ত্ৰণ কৰি আনি 'ধৰ্মালোচনী সভা' অনুষ্ঠানটো চলাই নিয়ে।

গ) মহোহো : লোক উৎসৱত অসম অতি চহকী। অসমৰ বিভিন্ন অঞ্চলত বিভিন্ন লোক উৎসৱ পালন কৰা হয়। নামনি অসমত পালন কৰা এটি জনপ্ৰিয় লোক-উৎসৱ হৈছে মহোহো উৎসৱ। নামনি অসমৰ নলবাৰী জিলাৰ অন্তৰ্গত তন্ত্ৰশংকৰা গাঁওতো এই মহোহো উৎসৱ পালন কৰা হয়। মহোহো উৎসৱত বিশেষ ধৰণৰ গীত গোৱা হয়। এনেদৰে গীত গাই গাই মহ খেদি পৰা যায় বুলি মানুহৰ বিশ্বাস। অসমীয়া 'মহ' শব্দৰ লগত বড়ো ভাষাৰ

"হো' শব্দ লগলাগি মহোহো শব্দটো গঠিত হৈছে বুলি ধাৰণা কৰা হৈছে। বড়ো ভাষাত "হো' মানে খেদি দিয়া।

আঘোন মাহৰ পূৰ্ণিমা তিথিত মহোহো উৎসৱ পালন কৰা হয়। টোকোন হৈ মহ মৰাটো সম্ভৱ নহয় যদিও লোকবিশ্বাসত ইয়েই সম্ভৱ। বহাগ বিহুত বিহুৱাসকলে মানুহৰ ঘৰৰ চোতালে চোতালে হুঁচৰি মাৰি গৃহস্থক আশীৰ্বাদ দি ফুৰাৰ দৰে মহোহো উৎসৱতো ডেমনীয়াসকলে একলগ হৈ হাতে হাতে বাঁহৰ টোকোন একোডাল লৈ মানুহৰ ঘৰৰ চোতালে চোতালে মহখেদা গীত গাই গৃহস্থক আশীৰ্বাদ দি ফুৰে।

এই গীতবোৰ এটা বিষয়ত আৰম্ভ হৈ আন এটা বিষয়তহে শেষ হোৱা দেখা যায়। অৰ্থাৎ গীতবোৰৰ আৰম্ভণি আৰু সামৰণিৰ মাজত সামঞ্জস্য নাথাকে।

মহোহো গীত গাওঁতে দলৰে এজনে কলৰ টোঁটনি গাত আঁৰি ভালুক হয়, লগতে বাঁহৰ চুকান ডকুৰাৰ খোল, বাঁহ, মুকুট আদি পিন্ধে। লোকবিশ্বাস মতে ভালুকে মহ খায়। সেয়েহে মহ খেদিবলৈ ভালুকৰ বেশ লয়।

গীতবোৰৰ মূল উদ্দেশ্য হ'ল মহখেদা। টোকোনৰ ভয়ত মহবোৰে পলাই যাব মৰাৰ ইংগিতো গীতবোৰত আছে।

অ হৰি মহোহো
মহ খেইদবা টোকোন লৈ
মহে বোলে মইল্লু দে,
টেপেল প্লৱা পাল্লু দে।
টেপেলত নহ'ল ধুন
চাউল লাগে দোন দোন।
চাউল নেদি দিলাক কড়ি
পৰখোৰ ঘৰ লৌৰি-চৌৰি।
লৌৰি-চৌৰি যাওঁতে
সোণাৰ নাঙল বাওঁতে
সোণাৰ নাঙল ৰূপৰ ফাল
ঘৰজীয়া বৈঠাই বাহে হাল
হাল দিলোঁ পাটে।
মহোৰ মাকক পাৰ কইল্লু
বড়াদিয়াৰ ঘাটে।

মহোহো গাবলৈ আহিলে গৃহস্থই পদুলিমুখৰ পৰাই আদৰি নিয়ে। কিয়নো মহোহোৰ দল অসন্তুষ্ট হৈ উভতি গ'লে ঘৰখনলৈ অমঙ্গল আহে বুলি বিশ্বাস কৰা হয়। সেয়েহে গৃহস্থই সকলো প্ৰকাৰে মহোহো গাবলৈ অহা দলটোক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰে। গীত গোৱাৰ অন্তত গৃহস্থই সাধ্যানুসাৰে মাননি আগবঢ়াই মহোহো দলৰ পৰা আশীৰ্বাদ লয়।

৩.০০ ব'হাগ বিহুৰ লোকাচাৰ:

অসমীয়া জাতীয় জীৱনক আন্দোলিত কৰি তোলা মূল সাংস্কৃতিক সম্পদটো হৈছে বিহু। কাৰণ বিহুত আছে অসমীয়া জাতিৰ সমূহীয়া প্ৰাণৰ বতৰা, হিয়াৰ ভোগজৰা আৰু আছে জাতিটোৰ জীয়াই থকাৰ দৃঢ় প্ৰতিশ্ৰুতি। অসমৰ পৰ্বত-পাহাৰ, জাতি-উপজাতিৰ সমন্বয়ৰ অৰ্ঘ্য বিহুৱেই অসমীয়া জাতিৰ মান আৰু অসমৰ প্ৰাণ।

'বিহু' শব্দৰ উৎপত্তি সম্পৰ্কে পণ্ডিতসকলে বিভিন্ন মত দাঙি ধৰিছে। কোনো কোনোৰ মতে সংস্কৃত 'বিষুৱন' শব্দৰ পৰা 'বিহু' শব্দৰ উৎপত্তি হৈছে। বৈদিক যুগত বিষুৱন নামেৰে এটা বিশেষ দিনত কৃষিৰ কল্যাণৰ বাবে সূৰ্য দেৱতাৰ নামত যাগ-যজ্ঞ কৰা হৈছিল। আনহাতে, বিষুৱ সংক্ৰান্তিত বিহু উদযাপিত হয় বাবে 'বিষুৱ' শব্দৰ পৰাই 'বিহু' শব্দৰ উৎপত্তি হোৱা বুলিও গৱেষকসকলে মত পোষণ কৰে। কৃষি উৎসৱ বিহু মুঠতে তিনিটা। ব'হাগ বিহু, কাতি বিহু আৰু মাঘ বিহু। অসমীয়াৰ বাপতি সাহোন ব'হাগ বিহু কৃষি আৰম্ভণিৰ উৎসৱ। এই বিহুক ৰঙালী বিহু বুলিও কোৱা হয়। কাৰণ এই বিহুত আনন্দ উল্লাস বেছি হয়।

৬.১. গৰু বিহু :

চ'ত মাহৰ সংক্ৰান্তিৰ দিনা গৰু বিহু পালন কৰা হয়। গৰু বিহুৰ পৰা সাতদিনলৈ বিহুক বেলেগ বেলেগ নামেৰে জনা যায়। যেনে: গৰু বিহু, মানুহ বিহু, গোসাঁই বিহু, তাঁতৰ বিহু, নাঙল বিহু, জীয়ৰী বা চেনেহী বিহু আৰু চেৰা বিহু। গৰু বিহুৰ দিনা সকলো অসমীয়াই গৰুক বাতিপুৱাই আনন্দপূৰ্ণভাৱে তেল-মাহ-হালধিৰে নোৱাই ওচৰৰ নদী, জান-জুৰি, পুখুৰী আদিত গা ধুৱাই 'চাট মাৰি'ত (লাও, বেঙেনা, খেকেৰা, হালধি আদিৰ চকলবোৰ গাঁথি লোৱা বাঁহৰ তিনি মূলীয়া শলা-কাঠি) নিৰ্দিষ্ট কৰি ৰখা লাও, বেঙেনা, খেকেৰা, হালধিৰ চকল গাতে দলিয়াই গায়—

'লাও খা, বেঙেনা খা
বছৰে বছৰে বাঢ়ি যা,
মাৰে সৰু, বাপেৰ সৰু
তই হবি বৰ গৰু।'

আকৌ, এই 'চাট মাৰি'ত লৈ যোৱা লাও, বেঙেনা, খেকেৰাৰ চকল কিছু চাট মাৰিডালৰ সৈতে আনি গোহালিৰ বেৰত বা চালত গুজি থৈ দিয়া হয়— কাৰণ, অসমীয়া সমাজৰ বিশ্বাস এনেদৰে থৈ দিলে বছৰটোত হৰহুৰ গোহালিৰ গৰুৰ কোনো বেমাৰ-আজাৰ নহয়। ইফালে বিহুৰ

দিনকেইটাত (তিনি বা সাত বিহুৰ দিনাটো) গৰুক বাঁহৰ পেছাৰিৰে কোবাবলৈ নেপায়। সেইহে অসমীয়া লোকবিশ্বাসৰ পৰম্পৰা মতে গৰুক মূল বিহুৰ দিনকেইটাত দীঘলতি-জেতুকি গছ প্ৰভৃতিৰ চাৰিৰেহে কোবোৱা হয়। ইফালে আকৌ সক্ৰিয়া গৰু ঘৰলৈ অহা মুহূৰ্তত গৰু অহা পদূলি, চোতাল আৰু গোহালি ঘৰৰ মুখত বিহলঙনি, অগৰা আদি গছৰ সংমিশ্ৰণেৰে মেৰ- জুইগুৰিৰ জাগ দিয়া হয়। লগতে দীঘলতি আৰু মাখিয়তী গছৰ ডাল- পাতেৰে গৰুক কোবাই গোৱা হয়—

"দীঘলতি দীঘল পাত,

মাখি মাৰোঁ জাত জাত"— যাতে গৰুৰ গাৰ পৰা মাখি, মহ, দাহ আদিবোৰ আঁতৰি যায়। ইয়াৰ পিছতে ভক্তিপূৰ্বক-ভাৱে ঘৰৰ গৃহস্থই সোণ, ৰূপ, দুবৰি আৰু তুলসীৰ সংমিশ্ৰিত পবিত্ৰ শুদ্ধ পানীৰে গৰুক ভৰি ধুৱাই দি নতুন পঘাৰে (তেল, হালধি সানি লোৱা পঘা) বান্ধি বিচনিৰে বিচি লাও, পিঠা আদি খুৱাই সেৱা- ভক্তি কৰি গো- দেৱতাক যথোচিত সন্মান কৰে।

৩.২. মানুহ বিহু:

গৰু বিহুৰ পিছদিনা অৰ্থাৎ অসমীয়া নৱবৰ্ষৰ বহাগ মাহৰ প্ৰথম দিনা আৰম্ভ হয় বৰ বিহু বা মানুহ বিহু। এই দিনা ঘৰৰ জীয়াৰী- বোৱাৰীহঁতৰ গাত যেন ভয় নাই। সকলোৱে দোকমোকালিতে উঠি চোতাল-ঘৰ মচি-

কাটি, চৰে-খাড়ি জুইত পুৰি, জলা-কুলা-চালনী লগতে ঘৰৰ পীৰা-চকি-মেজ প্ৰভৃতি ধুই-মচি পৰিষ্কাৰ কৰি লয়। ইফালে ঘৰৰ সকলোৱে বাতিপুৱা গাত মাহ-হালধি সানি গা-মূৰ ধুই পবিত্ৰ মন লৈ নতুন বস্ত্ৰ পৰিধান কৰে। ইয়াৰ পাছত আই বা মাহঁতে ঘৰৰ সকলোকে বাহকা, চিৰতা প্ৰভৃতি তিতাৰ ৰস খুৱায়—যাতে বছৰটোৰ বাবে কাকোৱে শৌচ-বমি-পিত্ত আদিৰ বেমাৰ নহয়।

এই বিহুৰ দিনা পৰস্পৰে পৰস্পৰক মৰম চেনেহেৰে আঁকোৱালি লয়, সৰুৱে ডাঙৰজনক সেৱা জনায় আৰু ডাঙৰজনায়ো সকলোকে কুশল-মঙ্গলৰ আশীৰ্বাদ দিয়ে। লগতে ঘৰৰ সকলোকে জীয়াৰী-বোৱাৰীহঁতে মাহচেৰেক আগৰ পৰাই মৰমৰ দিহা আৰু চেনেহৰ বাণী দি প্ৰস্তুত কৰা অসমীয়া সংস্কৃতিৰ জীৱন প্ৰকাশক গামোচা উপহাৰে বিহুৱান দি জীৱনৰ ছন্দ উপলব্ধি কৰে। ইফালে দিনটোত আলহী অতিথিৰ ভিৰ। সকলোকে ঘৰৰ গৃহস্থই মৰম আন্তৰিকতাৰে বিধে বিধে বিহুৰ পিঠা-পনা, লাড়ু, দৈ-চিৰা-জলমিঠৈৰে আপ্যায়িত কৰে। ইয়াৰ উপৰিও গুৰু, গুৰুস্থানীয় ব্যক্তিক বিহুৱান দি সেৱা সন্মান কৰে।

৩.৬. ভথেলী উৎসৱ পালন :

বহাগ বিহুৰ ৰং দোমাহীৰ দিনাৰ পৰা মাহৰ শেষলৈকে পৰম্পৰা ৰূপত প্ৰচলিত এই ভথেলী উৎসৱ বেলি ওলোৱাৰ পৰা ডুব যোৱা পৰলৈকে

গুদিনীয়াকৈ পালন কৰা হয়। উৎসৱ পালন কৰিবৰ বাবে দুডাল বাঁহৰ প্ৰয়োজন। জাতি, জলুকা, বা মুকাল যিকোনো জাতৰ বাঁহ দুডাল সৰবাৰ সৈতে উভালি বা কাটি আনি তাৰ জেউৰিবোৰ চাঁচি-চুকুকি পানীত ভালদৰে ধুই পখালি শুকাই পৰা আগলৈকে ৰং-বিৰঙৰ চিত্ৰ অংকন কৰি কাপোৰেৰে আকৰ্ষণীয়াকৈ মেৰিওৱা হয়। এই কাৰ্যত ব্যৱহাৰ কৰা কাপোৰখিনিক 'কাচ' বা 'সাজ' বুলি কোৱা হয়। দীঘল বাঁহডালক 'মতা পাৰ' বা দৰা আৰু চুটি বাঁহডালক 'মাইকী পাৰ' বা কইনা বুলি কোৱা হয়। এই বাঁহ দুডালক দৰা-কইনা বুলি কোৱাৰ পৰা এটা কথা অনুমেয় যে অতীতত বাঁহ দুডালৰ মাজত বিয়া পাতি দিয়া কাৰ্য সম্পাদন কৰা হৈছিল।

চাঁচি-চুকুকি ৰং-বিৰঙৰ চিত্ৰ অংকন কৰি সু-সজ্জিত কৰি দুজনকৈ মানুহে দুয়োডাল 'পাৰ' কান্ধত লৈ ঢোল, তাল, শংখ বজাই ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলো মিলি গীত-পদ গাই গাঁও ফুৰাই নিৰ্দিষ্ট স্থানলৈ নিয়া হয়। বাঁহ দুডাল সাধাৰণতে ৰাজহুৱা স্থানত ডাঙৰ গছত আউজাই দিয়া হয়; অথবা গাত খান্দি ওচৰা-উচৰিকৈ পুতি দিয়া হয়। অঞ্চল বিশেষে কোনোবা এঘৰ অৱস্থাসম্পন্ন মানুহৰ ঘৰত বাঁহ দুডাল কাটি তাতে চাঁচি-চুকুকি কাপোৰ মেৰিয়াই সজাই পৰাই তোলা হয়। আবেলি পৰত গাঁওঁৰ প্ৰায়বোৰ মানুহে হৈ যথাৰীতি বাঁহ দুডালক কান্ধত লৈ ঘৰে ঘৰে ফুৰোৱা হয়। প্ৰতিঘৰ গৃহস্থই বাঁহডালক যথাৰীতি সেৱা

সংস্কাৰ কৰে। গাঁও ঘূৰোৱাৰ পিছত বাঁহ ডুজালক ৰাজহুৱা স্থানত উত্তোলন কৰি দিয়া হয়।

বাঁহ ডুজালক উত্তোলন কৰা স্থলীৰ ওচৰা কিছু নিলগতে কলপাতেৰে এটা সৰু ঘৰ সজা হয়। যাৰ নাম ভেটেলী ঘৰ বুলি জনা যায়। এই ভেটেলী ঘৰ ওচৰতে জোৰাকৈ সজা হয়। ঘৰটোত চাকি, বন্তি, ধূপ-ধূনা, নৈবদ্য আগবঢ়াই উৎসৱ স্থলীলৈ অহা সকলোৰে নাম প্ৰসঙ্গ কৰি উপাস্য দেৱতাৰ নামত প্ৰাৰ্থনা কৰে যাতে আগন্তুক বছৰটো ভাল-কুশলে পাৰ কৰিব পাৰি। জাতি-বৰ্ণ-নিৰ্বিশেষে এই উৎসৱত যোগদান কৰে অতি উলহ মালহেৰে। ভেটেলীৰ আনুষ্ঠানিক উদ্যাপনৰ নাম ভেটেলীয়া বুলি কোৱা হয়।

ভেটেলী উৎসৱৰ সামৰণি অনুষ্ঠান হৈছে 'ভেটেলী ঘৰ ভঙা' কৃত্য। দৰাচলতে এই কাৰ্যৰ দ্বাৰাই ভেটেলী উৎসৱৰ আনুষ্ঠানিকভাৱে সামৰণি পৰে। উৎসৱৰ দিনা সন্ধিয়ালৈ নিমন্ত্ৰিত দুদল লোকৰ মাজত প্ৰত্যেকৰে হাতত লাঠি, টাঙোন আদি লৈ ভেটেলী ঘৰটো ভঙা হয়। ভেটেলী ভঙা লোকাচাৰটো হৈছে শক্তি প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱা। এই কাৰ্যত দুয়োদলৰ মাজত কৃত্ৰিম যুঁজ বাগৰৰো অভিনয় হয়। অৱশেষত ঘৰটো ভাঙিব খোজা লোকে অশ্লীল গীত গাই গাই ঘৰটো ভাঙে আৰু ঘৰটোত থকা খাদ্য-দ্ৰব্য, টকা পইচা আদি লৈ যায়। উৎসৱৰ শেষত 'ভেটেলী শেষ হ'ল' বুলি হৰিধ্বনি দি উৎসৱৰ সামৰণি মাৰে।

৩.৪. প্ৰসাধন হিচাপে জেতুকা :

বসন্ত কালত খোৱা এই বহাগ বিহুটিৰ লগত জেতুকা পাতৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। বহাগ বিহুৰ সময়ত হাত-ভৰি, নখ আদি জেতুকাৰে বোলোৱা এক পৰম্পৰা অসমত চলি আছে। জেতুকা এজোপা চিৰসেউজীয়া গছ। ইয়াৰ ঔষধি গুণ বহুত আছে যদিও মানুহে প্ৰসাধন হিচাপে ব্যৱহাৰ কৰে। জেতুকাৰ পাত খেৰুজুৰ গুটিৰ লগত খুন্দি মিচাতেলৰ সৈতে মিহলাই হাতত বান্ধি ল'লে বছৰটোৰ বাবে শৰীৰত চৰ্মৰোগ, বসন্ত ৰোগ নহয়। জেতুকাৰ পাতৰ ৰস পুৰুষ-নাৰী উভয়ে গাত লেপন কৰিলে সাপে কামুৰিলেও বিহ নালাগে বুলি প্ৰবাদ আছে।

৩.৫. বহাগ বিহুত খোৱা এশ এবিধ শাক :

সাতবিহুৰ ভিতৰত এশ এবিধ শাকেৰে আঞ্জা খোৱা নিয়মো আছে। মূলতে এই পৰম্পৰাও বিজ্ঞানসম্মত। এই শাকসমূহ হৈছে — আদা, আমৰ ফল, আলুগুটি, বগালাউ, সৰিয়হ, নৰসিংহ, অমিতা, অশোক ফুল, অমৰা, লাইশাক, শেৱালি ফুল, ঢেঁকীয়া, ওলকচু, ওলকবি, লাইজাবৰী, লং আচাৰি, জেলাচি, কেৰেলা, কঁঠালৰ মূচি, কুকুৰাঠেঙীয়া, হাতী খুতৰা, কাটিপকা, কেঁহেৰাজ, কুঁহিয়াৰ আগ, কেঞ্জাবন, কাচকল, কলপচলা, কাঠআলু, কলমৌ, কোৱাভাতুৰী, কোমোৰা, কৰ্দৈ, ঢেঁকুৰি তিতা, ভেদাইলতা, লফা শাক, খুতৰা, গাজৰ, গাখিৰতী,

ঢুকাশাক, চেঁজা, জাল্লুক, জিলমিল, জলকীয়া, জেতুলিপকা, জোতিলাউ, জিকা, জবাফুল, ঢেঁকেচি ঢেঁকা, ঢেঁকামৰা, তিল, তিয়হ, তিতাফুল, দুপৰ ঢেঁকা, খেৰেজু, খেকেৰা, নৰহু, নেফাফু, নিলাজী বন, পিয়াজ, পালেং, পাদিনা, ব্ৰাহ্মী, বন জালুক, বেঙেনা, বৰখেকেৰা, মহানিম ইত্যাদি। এই শাকবোৰ অসমৰ পথাৰে-সমাৰে হাবিয়ে-বননিয়ে পায়। এনেধৰণৰ ১০১ বিধ শাক-পাচলি সিজাই এখন আঞা হিচাপে খালে গোটেই বছৰ বহুবিধ ৰোগ-ব্যাধিৰ পৰা হাত সাৰি থাকিব পাৰি বুলি অসমৰ মানুহে দৃঢ় বিশ্বাস কৰে। বিহুগীতত শাক-পাচলিৰ কথা উল্লেখ আছে এনেকৈ—

"খেৰেজু খেকেৰা পনিয়ল লেতেৰা
কৰবে নাপাবা শাকত।"

"নল ঢেঁকা ঢেঁকীয়া নাৰ মাছ ফুটুৰা
দাঁতত তেল লগাই খাবা,
গৰুলিৰ পৰা দুৱাৰ মেলি থম
বিৰালী যোৰাদি যাবা।"

৩.৬. বিশ্বায়নৰ প্ৰভাৱত বহাগ বিহু:

মানুহৰ ধ্যান-ধাৰণা, কৰ্ম আৰু সমাজ ব্যৱস্থাৰ পৰিৱৰ্তনৰ লগে লগে বিহু উৎসৱৰো পৰিৱৰ্তন ঘটিছিল। যুগৰ পৰিৱৰ্তনৰ লগে লগে অতীজৰ গছ-তল, মুকলি পথাৰৰ বিহু মঞ্চবিহুলৈ পৰ্যবসিত হ'ল। আৰম্ভ হ'ল বিহু সন্মিলন, মঞ্চভিত্তিক বিহুতলী, আনুষ্ঠানিক বিহু উৎসৱ।

সাম্প্ৰতিক কালত বিহু উৎসৱ বিহু সন্মিলন, মঞ্চবিহু, নগৰে-চহৰে, গাঁৱে-ভূঁয়ে আনকি ব্যক্তিগত অনুষ্ঠান-প্ৰতিষ্ঠান আদিতো পালিত হোৱা বছৰেকীয়া অনুষ্ঠানত পৰিণত হৈছে। এই আনুষ্ঠানিক বিহু উৎসৱত পূৰ্বৰ খেলা-ধূলা, সাংস্কৃতিক চৰ্চা আদি নাইকিয়া হৈ তাৰ ঠাই অধিকাৰ কৰি লৈছে মাথোন শিল্পী সমাৰোহ, বিহু কুঁৱৰী, বিহু সম্ৰাজ্ঞী প্ৰতিযোগিতা সমূহে।

বিহুৰ সাজপাৰৰ ক্ষেত্ৰতো ভালেখিনি বিসংগতি বা ত্ৰুটি লক্ষণীয়। পূৰ্বকালৰ বিহুৱা বিহুৱতীহঁতে সৰ্বাংগ ঢাকি মাৰ্জিত আৰু ৰুচিসন্মত পোছাক-পাতি আৰু অয়-অলংকাৰ পৰিধান কৰিছিল। বৰ্তমানৰ বিহুৱতী নাচনীসকলে কঁকালৰ নিম্নাংশ নাইবা বুকু পিঠি ঢাক নোখোৱাকৈ চুটি বিহা পিন্ধি নিজৰ বিকৃত মানসিকতাৰ পৰিচয় দাঙি ধৰাটো অতি পৰিতাপৰ বিষয়।

মানুহৰ চিন্তাধাৰা আৰু সমাজ ব্যৱস্থাৰ পৰিৱৰ্তনৰ লগে লগে বিহু উৎসৱৰো বিৱৰ্তন ঘটাটো একো আচৰিত হ'বলগীয়া নাই, কিন্তু মিলঞ্জীয়া অসমীয়া জাতি বিহুৰ অতীত ঐতিহ্যই আমাক সততে গৌৰৱাই দিয়ে যে বিহু কৃষিজীৱী সমাজে সৃষ্টি কৰা উৎসৱ, বিহু বহু জাতিৰ সাংস্কৃতিক উপাদানৰ সমন্বয়ত গঢ় লোৱা উৎসৱ। গতিকে সেই ঐতিহ্য সেই গৌৰৱ অক্ষুণ্ণ ৰখাৰ দায়িত্ব আমাৰ সমাজৰ নতুন প্ৰজন্মৰ। অসমী আইৰ সুযোগ্য সন্তান, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই প্ৰতিজন অসমীয়াক গৌৰৱাই দিছিল- যথাযথতে আত্মসন্মান আৰু আত্মপ্ৰতিষ্ঠা লাভ কৰিবলৈ

হ'লে, জাতীয় যুদ্ধত দেৱ পাৰিজাতৰ জয়মালা পিন্ধিবলৈ হ'লে জাতীয় উৎসৱ আদিৰ সন্মান বঢ়াব লাগিব আৰু মুকলি মনেৰে তাক পালিব লাগিব।'

অসমীয়া জাতিৰ বাপতি সাহোন বিহুটোৰে যাতে মৌলিকতা নেহেৰুৱায় তালৈ লক্ষ্য ৰাখি, বিহু সংস্কৃতিৰ পৰম্পৰাগত স্বৰূপটো প্ৰতিজন অসমীয়াই হৃদয়েৰে উপলব্ধি কৰিবলৈ প্ৰয়াস কৰিলেই বিহু পালনৰ সাৰ্থকতাও নিশ্চয় অনুভূত হ'ব।

## ৬.০০ কাতি বিহুৰ লোকাচাৰ ঃ

আহিনৰ সংক্ৰান্তিৰ দিনাই উদ্‌যাপিত হয় কাতি বিহু বা কঙালী বিহু। এই বিহুৰ আঁতি-গুৰি সম্পৰ্কে পণ্ডিতসকলে বিভিন্ন মত আগবঢ়াইছে। কোনো কোনোৰ মতে ই হ'ল বেদোক্ত আশ্বিন দেৱতাৰ পূজা-সেৱাৰ ক্ৰমবিকশিত ৰূপ। আন কিছুমানৰ মতে ই হৈছে আৰ্য পদ্ধতিৰ ওপৰত আৰ্যেতৰ আচাৰ-ব্যৱহাৰৰ প্ৰভাৱৰ পৰিণতি। যিয়েই নহওঁক মূলতঃ এই বিহুও কৃষিৰ সতে জড়িত কৃষি উৎসৱ।

শৰতৰ মায়াবী পৰশে বসুমতীৰ বুকুত সেউজ সপোন ৰচি প্ৰকৃতিদেৱীক অপৰূপা, অনন্যা কৰি তোলাৰ সময়তে আহিনৰ সংক্ৰান্তিত কৃষকৰ হেঁপাহৰ কাতি বিহু উদ্‌যাপন হয়। অন্য দুটি বিহুৰ দৰে এই বিহুত ৰঙৰ পয়োভৰ আৰু খাদ্যৰ উটৈজনদী নাথাকে। সেউজীয়া শস্যই পথাৰৰ বুকু উপচাই চৰা কৃষকৰ হৃদয় মনত আশাৰ হেঙুলীয়া আভা বিৰিঙাই তোলে মাথোন। লখিমী আই আহি যেন পথাৰৰ শ্যামলীমাৰ মাজত থিত লয় আৰু দেৱী আইৰ চোঁকালি যেন আঁচলৰ পৰশ পাই পথাৰে স্নেহময়ী ৰূপ ধাৰণ কৰে।

## ৬.২. তুলসী গছ ৰোৱা পৰম্পৰা ঃ

কাতি বিহুৰ দিনা কৃষিজীৱী অসমীয়াই ঘৰ-দুৱাৰ, বাৰী-বস্তি আৰু ধাননি পথাৰত চাকি-বন্তি নৈবেদ্য আগবঢ়াই সেৱা জনায়। ঘৰৰ চোতালত পূবমূৰে তুলসীৰ গছ এটি ৰোৱে আৰু তুলসীৰ তলত প্ৰজ্জ্বলিত বন্তিগছিৰ শান্ত স্নিগ্ধ কোমল জেউতিয়ে যেন পথাৰৰ জিলমিলি উজলালে

আনিবলৈ বাট দেখুৱায়। তুলসী ৰোৱা মাটিৰ ঢাপটোৰ ওচৰতে দীঘল বাঁহ এডাল পুতি আকাশমাৰ্গতো বন্তি জ্বলোৱা হয়। এইদৰে চাৰিওদিশে পোহৰাই তুলি যেন অসমীয়া জাতিয়ে লখিমীৰ আগমনৰ পূৰ্বাভাস দিয়ে আৰু অঘোৰ-অনাটন, দুখ-যাতনা, বিষাদ-বেদনাক দূৰতে বিদূৰ কৰে। কাতি বিহুৰ দিনাখনৰ পৰা তুলসীৰ তলত বন্তি প্ৰজ্বলন কৰাটো শাস্ত্ৰ ব্যৱস্থিত। এই কাৰ্য লৌকিক আচাৰ মাথোন নহয় ইয়াৰ লগত ধৰ্মীয় ভাৱ আৰু পবিত্ৰতা জড়িত হৈ থাকে।

কাতি বিহু মূলত লখিমীক আদৰণি জনোৱা উৎসৱ। এই উৎসৱৰ সৈতে সাঙোৰ খাই আছে চহা প্ৰাণৰ লৌকিক বিশ্বাস আৰু গভীৰ আস্থা। সমগ্ৰ কাতি মাহ জুৰি তুলসীৰ তল পোহৰাই ৰাখি কৃষকৰ মন প্ৰশান্তিৰে ভৰি পৰে।

৬.২. আকাশ বন্তি :

আহিন, কাতি মাহত পথাৰত গৰ্ভৱতী শইচ। গৰ্ভৱতী নাৰীক ঘৰখনে, সমাজখনে সতৰ্ক দৃষ্টিত ৰখাৰ দৰে আমাৰ পথাৰৰ লখিমীকো কৃষিজীৱী সমাজখনে আটোম-টোকাৰিকৈ ৰাখিবলৈ যত্ন কৰে, যাতে অপায় অমঙ্গলস্বৰূপ পোক-পতংগই এই গৰ্ভৱতী লখিমীক কোনো অনিষ্ট সাধন কৰিব নোৱাৰে। সেয়ে আহিন-কাতিৰ সংক্ৰান্তিৰ পৰা সমগ্ৰ কাতি মাহজুৰি পথাৰত সন্ধিয়া আকাশ বন্তি জ্বলোৱা হয়। পথাৰত জেং-শালিজৰ চাকি জ্বলোৱাৰ উপৰি বিভিন্ন উপায়েৰে বন্তি জ্বলায় ফলত এই বন্তি শিখাত পোক-পতংগবোৰে আত্মজাহ দিয়েৰা

আঁতৰি যায়। বাঁহ বা কাঠৰ টুকুৰা জোৰা দি ওপৰমূৰটোত বন্তিগছি কায়দাকৈ থাপন কৰি সমগ্ৰ নিশা জুৰি জ্বলোৱা হয়। কোনো কোনো অঞ্চলত নিজ ঘৰৰ চোতালত অথবা ভঁৰাল ঘৰৰ কাষত আকাশবন্তি জ্বলায়। মানুহৰ লোকবিশ্বাস সমগ্ৰ কাতিমাহ জুৰি কাৰ্তিক দেৱতাই গৰ্ভৱতী লখিমীক পহৰা দিয়ে বাবেই পোহৰ জ্বলোৱা হয়।

৫.৩. বিশ্বায়নৰ প্ৰভাৱত কাতি বিহু :

কাতি বিহু মূলতঃ বছৰৰ মৰ্য্যাদাৰ উৎসৱ। এই সময়ত ভঁৰালৰ ধান প্ৰায় শেষ হয় বাবে মানুহক অভাৱ-অনাটনে দেখা দিয়ে। অভাৱ অনাটন হয় বাবে এই বিহুক কঙালী বিহু আখ্যা দিয়া হয়। এই বিহুৰ সময়ত খেতিপথাৰত শস্যৰ বীজ ওলাবলৈ আৰম্ভ কৰে। অন্য দুটি বিহুৰ দৰে এই বিহুত আনন্দ উল্লাস নাথাকে।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ চিন্তা-ধাৰাৰো যথেষ্টখিনি পৰিৱৰ্তন হোৱা দেখা গৈছে। এই পৰি-ৱৰ্তনে বিহু উৎসৱতো প্ৰভাৱ বিস্তাৰ নকৰাকৈ থকা নাই। অতীতত অসমৰ প্ৰায় মানুহে কৃষিজীৱী আছিল। কৃষিয়ে তেওঁলোকৰ প্ৰধান জীৱিকা আছিল। কৃষিকাৰ্য কৰিয়ে তেওঁলোকে নিজৰ লগতে গোটেই পৰিয়ালটোক পোহপাল দিছিল। কিন্তু বৰ্তমান সময়ত খুব কমসংখ্যক লোকহে কৃষিকৰ্মৰ লগত জড়িত। আগতে প্ৰায় অসমীয়া মানুহৰ ঘৰে ঘৰে ভঁৰালঘৰ আছিল; য'ত খেতিয়কসকলে গোটেই বছৰটোত

কষ্ট কৰি পোৱা ধনখিনি সঞ্চয় কৰি ৰাখিছিল। কিন্তু বৰ্তমান সময়ত খুব কমসংখ্যক লোকৰ ঘৰতহে ভঁৰালঘৰ দেখিবলৈ পোৱা যায়। আকাশবন্তিৰ প্ৰচলনো বৰ্তমান সময়ত বিলুপ্তি পাবলৈ ধৰিছে। কিয়নো বৰ্তমান সময়ত আকাশবন্তি জ্বলোৱা লোকৰ সংখ্যা অতি তাকৰ।

বিজ্ঞানৰ নৱ নৱ আৱিষ্কাৰে মানৱ সভ্যতাক নিতৌ নৱ নৱ দিশত অধিক আগুৱাই লৈ গৈছে। মানুহে বিভিন্ন বৃত্তিমূলক দিশত নিজকে আত্মনিয়োগ কৰিবলৈ ধৰিছে। বৰ্তমান সময়ত অধিসংখ্যক লোকে চাকৰি, ব্যৱসায় ইত্যাদি কৰ্মৰ লগত জড়িত বাবে খেতিয়কৰ সংখ্যা কমি গৈছে। যাৰ ফলত দিনক দিনে কাতি বিহুৰ জনপ্ৰিয়তাও লোপ পাবলৈ ধৰিছে। এতিয়া আগৰ দৰে মানুহৰ কাতি বিহুৰ সময়ত আকাল নপৰে। বৰ্তমান বাহিৰৰ পৰা ধান কিনা যায়, চৰকাৰৰ পৰা বিভিন্ন ধৰণৰ আঁচনি পোৱা গৈছে বাবে পূৰ্বৰ দৰে মানুহৰ অভাৱ নাইকিয়া হৈছে। পূৰ্বতে কাতি মাহত বহুতে ৰাতি নাম প্ৰসঙ্গ কৰিছিল, মন্দিৰলৈ গৈছিল; কিন্তু বৰ্তমান সময়ত সিও লোপ পাবলৈ ধৰিছে।

৭.০০ মাঘ বিহুৰ লোকাচাৰ:

অসমীয়া জাতীয় জীৱনৰ ছন্দোময় প্ৰাণৰ উৎসৱ বিহু। অসমৰ মাটি ফুটি ওলোৱা এই বিহুৰ আচাৰ-বিচাৰ, ৰীতি-নীতি, চিন্তা-পৰম্পৰাবোৰৰ মাজতেই লুকাই আছে অসমৰ অসমীয়াৰ জাতীয় মনটোৰ প্ৰকৃত জীৱন চৰিত্ৰ। সেয়েহে বিহুক অসমীয়াৰ বাপতি-সাহোন, হিয়াৰ-আমোন, বুকুৰ-কুটুম উৎসৱ বুলি কোৱা হয়। মূলতঃ বিহুৱে যেন অসমীয়া জাতিৰ প্ৰাণ, অসমীয়া জাতিৰ মান। বিহু যেন অসমীয়া জাতিৰ আয়ুসৰেখা। অৰ্থাৎ আন প্ৰকাৰে কবলৈ গলে বিহু মৰিলে অসমীয়াও মৰিব। গতিকে, ইয়াৰ পৰা অনুমান কৰিব পাৰি অসমীয়াৰ লগত বিহুৰ সম্পৰ্ক কি আৰু কিমান?

আকৌ এই বিহুৰ মূল সত্তাটো নিহিত হৈ আছে অসমৰ কৃষিৰ লগত। সেয়েহে কৃষিকেন্দ্ৰীক অসমীয়াই কৃষিভূমি অসমত কৃষিৰ তিনিটা সুকীয়া সুকীয়া কালৰ সময়ত স্বকীয় বৈশিষ্ট্যৰে পালন কৰে ক্ৰমে বহাগ মাহত- ৰঙালী বিহু, কাতি মাহত- কঙালী বিহু আৰু মাঘ মাহত- ভোগালী বিহু। এই ত্ৰিবিহুৰেই অন্যতম মাঘৰ- ভোগালী বিহু। ভোগ আৰু আনন্দ প্ৰাচুৰ্যৰে ভৰা অসমীয়া মানুহৰ মনত কেৱল আনন্দৰ বোল অনা ভোগালী বিহু। মূলতঃ পুহ মাহৰ নাথিনী পথাৰত ধান কটাৰ সময়ৰেই পৰা আৰম্ভ হয় মাঘৰ ভোগালী বিহুৰ প্ৰস্তুতি আৰু আনন্দ। এই বিচিত্ৰ সময়খিনিতেই অসমৰ খেতিয়কৰ ঘৰ খাদ্য-শস্য তথা ভোগৰ সামগ্ৰীৰে পৰিপূৰ্ণ হৈ পৰে। ইফালে এইখিনি

সময়ত অসমৰ লোন-বিল সমূহতো মাছ-পুঠিৰ পূৰ্ণ পয়োভৰ। গতিকে বাস্তৱিকতে বিভিন্ন ভোগৰ সামগ্ৰীবেৰ উদযাপিত হয় অসমৰ বাপতিসাহোন মাঘ বিহু—যাৰ বাবে মাঘ হৈ পৰে ভোগালী। ঘৰৰ গৃহিণী, জীয়াৰী-বোৱাৰীহঁতে বিহুৰ কেইদিনমান আগৰ পৰাই ঢেঁকীশালত ধান বানি মাহটোৰ বাবেই প্ৰয়োজনীয় চাউল-পাতৰ যোগাৰ কৰি লয়। লগে লগে ঢেঁকীশালত পিঠাগুৰি, চিৰা সান্দহ আদি খুন্দি সেইবোৰো যোগাৰ কৰি লয়। আকৌ ঘৰে ঘৰে বিধে বিধে পিঠা পনাৰ প্ৰস্তুতি। তিল-পিঠা, ঘিলা-পিঠা, কুণ্ডো-পিঠা, তিলৰ-লাড়ু, নাৰিকলৰ-লাড়ু, মাটিমাহৰ জিলাপী, মাহকড়াই আদিবোৰ তৈয়াৰ কৰি লয় — মাঘ মাহৰ ভোগালীক আদৰিবলৈ। লগতে দৈ, গুড় মিঠৈ। কি যে বিনন্দীয়া মাঘ মাহৰ মাঘী ভোগালী। আকৌ ঘৰৰ জীয়াৰী-বোৱাৰীহঁতে বিহুক আদৰিবলৈ বিহু পালনৰ আগৰেই পৰাই নিকা মাটি গুবৰে বগা মাটিৰে ঘৰ দুৱাৰ লেপি-মচি তথা ঘৰৰ কাপোৰ-কানি ধুই পৰিষ্কাৰ-পবিত্ৰ হৈ লয়, মন ফৰকাল কৰি লয়।

৭.১. মাঘ বিহুৰ লগত জড়িত নীতি-নিয়ম:

বিহুৰ কেইদিনমান আগৰেই পৰা গাঁৱৰ ডেকাহঁতে, লৰাহঁতে পথাৰৰ পৰা খেৰৰ পিঁপা বজাই ঢোল-তাল বজাই, বিহুগীত গাই, স্ফূৰ্তি তামাচা কৰি নৰা আনি বাজত্ৰা স্থানত মাঘৰ মেজিৰ দিনা সমূহীয়া অগ্নি-সেৱাৰ বাবে মেজি সাজে। আকৌ পথাৰত নৰা, কলপটুৱা, বাঁহ আদিৰে ভেলাঘৰ, খড়ৰি ঘৰ আদি সাজি গাঁৱৰ লৰাহঁতে

ভেকাইঁতে, গঞ্জাই মিলিজুলি বিবিধ ব্যঞ্জন তথা মাছ মঙহেৰে ভোজভাত খাই মাঘৰ দোমাহীৰ আগদিনা ৰং তামাচা কৰি উজাগৰী নিশা কটায়— যত প্ৰকাশ পায় মাঘৰ ভোগালী বিহুৰ বিখ্যাত উৎসৱৰ ৰূপ-ৰস-গন্ধ আৰু আনন্দ। প্ৰকৃততে যেন সকলোৱে মিলিজুলি ভোজভাত খাই মনৰ আনন্দ প্ৰকাশ কৰাই মাঘ বিহুৰ উৎসৱৰ মূল বৈশিষ্ট্য। ইফালে উৎসৱৰ পিছদিনাই দোমাহী। অৰ্থাৎ ভোগালী মাঘ বিহু। সেইদিনা ঘৰৰ সকলোৱে দোকমোকালিতে উঠি গা-পা-ধুই বাজত্ৰা স্থানত নিৰ্মাণ কৰা মেজি, ভেলাঘৰবোৰ লৌকিক ক্ৰিয়া-কাণ্ডৰে জ্বলাই দি সমূহীয়া অগ্নিসেৱা কৰি পুহ-মাঘমহীয়া জাৰক বিদায় দিয়ে। লগতে যেন অগ্নিদেৱতাক সকলোৱে প্ৰাৰ্থনা জনায় যাতে বছৰটোত তেৰাই কোনো অপায়-অমংগল নঘটাই অতি শান্তিৰে, মঙ্গলেৰে, সুখ-সমৃদ্ধিৰ মাজেৰে পাৰ কৰি নিয়ে। ইফালে অগ্নিদেৱতাৰ পাচুতে প্ৰত্যেকেই ভোগালী মাঘক স্বাগতম জনাই নিজ নিজ ঘৰলৈ আহি ঘৰৰ গুৰুজনাক, জ্যেষ্ঠজনাক সেৱা সৎকাৰ কৰি বছৰটোৰ মঙ্গল কামনাৰ আশীৰ্বাদ লয়। ইয়াৰ পিছতেই যেন আৰম্ভ হয় মাঘ মাহৰ ভোগালী বিহুৰ ভোগৰ পৰ্ব। এই ভোগৰ পৰ্বত ঘৰৰ সকলোৱে মিলিজুলি একেলগে দোমা-দোমিকে বহি আনন্দ মনেৰে ঘৰৰ গৃহিনী, আইদেউ, জীয়াৰী-বোৱাৰীহঁতে পূৰ্বে বিধ বিধে বনাই থৈ দিয়া বিভিন্ন পিঠা-পনা, লাডু, দৈ-চিৰা-মিঠৈ আদি খাই খোৱাৰ, ভোজৰ তৃপ্তি লভে। লগতে ঘৰলৈ অহা বিভিন্ন

আলহী - অতিথি, ইষ্ট - কুটুম্ব আদিকো ঘৰৰ গিৰিহঁতে খুৱাই-বুৱাই শান্তি লভে, আনন্দ পায়।

৭.২. মাঘ বিহুৰ লোকবিশ্বাস :

মাঘ বিহু বা ভোগালী বিহু শীতকালীন কৃষিভিত্তিক উৎসৱ। প্ৰাচীন কালৰে পৰা অসমীয়া মানুহৰ মাজত মাঘ বিহু সম্পৰ্কীয় নানান লোকবিশ্বাস চলি আহিছে। শস্য সংগ্ৰহৰ অন্তত এই উৎসৱে প্ৰত্যেক অসমীয়া মানুহৰ ঘৰে ঘৰে উদযাপিত হয়। মাঘ বিহুৰ আগদিনা অৰ্থাৎ উৰুকাৰ দিনাখন সজাই থোৱা মেজি, ভেলাঘৰ আদি পাছদিনা ৰাতিপুৱাতে স্নানাদি কৰি বয়োজ্যেষ্ঠজনে দাহন কৰে।

অগ্নিদেৱতাই যাতে গোটেই বছৰটোত কাৰো কোনো এটা বিঘিনি নকৰে সেই লোকবিশ্বাসেৰে মাঘ বিহুৰ মেজি দাহন প্ৰথা চলি আহিছে। এই মেজিৰ জুইত টাই বিশেষে কিছুমানে মোৱা আলু, কাঠ আলু, ৰঙা আলু আদি পুৰি খায়। পোৰা আলু নাখালে পাছৰ জনমত গাহৰি হয় বুলি এক লোকবিশ্বাসো প্ৰচলিত। চহা খেতিয়কে মেজি বা ভেলাঘৰৰ আধা পোৰা খুঁটা, লাগনি গছ, বাঁহ আদি নিজৰ খেতি পথাৰত থৈ দিয়ে। কোনো কোনো অঞ্চলত মেজি জ্বলোৱাৰ দিনা দোকমোকালিতে গৃহস্থই নিজৰ ঘৰৰ লাগনি গছবোৰত খেৰ এডোখৰে মেৰিয়াই মাঘ বন্ধাৰ নিয়ম আছে। গছক উৰ্বৰা কৰা বা গছবোৰে ফল-মূল লগাৰ বিশ্বাসেৰে মাঘ বান্ধোতে গায় —

জাগ জাগ জাগ / গছে-পাতে লাগ।

গাঁৱলীয়া সমাজত আজিও ঘাম লগাৰ কথা বিশ্বাস কৰে। অঞ্চল বিশেষে গ্ৰাম্যাঞ্চলৰ লোতি বা শাকপাচলিত ঘাম নালাগিবৰ বাবে আগঁ পোৰা বাঁহ বা কাঠ সকলোৰে দেখাকৈ পুতি থোৱা হয়। পঁইতা ভাত অসমীয়া মানুহৰ এবিধ প্ৰিয়খাদ্য। পঁইতা ভাতৰ উপকাৰী গুণ বহুত। পঁইতাই শৰীৰ জুৰ কৰে। কথাতে কয়, 'আইৰে খপনি পঁইতা পোতনি, চাহৰে আচিয়া কল'। মাঘ বিহুত কোনো কোনো অঞ্চলত মাঘী পঁইতা বা মাঘী পন্তা খোৱাৰ নিয়ম আছে। এই প্ৰসঙ্গতে এটি লোক প্ৰবাদ উদ্ধৃত কৰা হ'ল—

"পুহত বান্ধি মাঘত খায়/বাঘৰ সমান বল পায়।
কিন্তু, মাঘে পন্তা বাঘৰ বল/বৈশাখে পন্তা ৰসাতল।"

কিছু কিছু অঞ্চলত বিহুৰ দিনাখন ৰাতিপুৱাতে ঘৰৰ সকলোৱেই মৌ খোৱাৰ প্ৰথা আছে। মাঘ বিহুত মৌ খালে গোটেই বছৰটো মধুময় হয় বুলি এক লোকবিশ্বাস আছে।

৭.৬. বিশ্বায়নৰ প্ৰভাৱত মাঘ বিহু:

মাঘ বিহু ভোগৰ বিহু। সেয়ে এই বিহু ভোগালী। কিন্তু বৰ্তমান সময়ত অসমত আৰু পূৰ্বৰ দৰে সেই ভোগ নাই। কিয়নো আজি অসমত অসমীয়াই ভগনীয়াৰ দৰে থাকিবলৈ লৈছে। পূৰ্বৰ মাঘ বিহুৰ যি উৎসাহ-উদ্দীপনা বৰ্তমান সময়ত সি ক্ৰমান্বয়ে লোপ পাবলৈ ধৰিছে। বৰ্তমান সময়ত মানুহৰ পূৰ্বৰ দৰে অভাৱ নাই, কিয়নো অধি-সংখ্যক লোকে এতিয়া শ্ৰমজীৱী। পূৰ্বতে বিহু অভাৱ

কেইদিনমান আগৰ পৰাই গাঁৱৰ জীয়াৰী-বোৱাৰীহঁতৰ হাত ভাগৰে নাথাকে। পিঠা-পনা, লাডু, সান্দহ ইত্যাদি তৈয়াৰ কৰাত ব্যস্ত হৈ পৰিছিল জীয়াৰী-বোৱাৰীহঁত। কিন্তু বৰ্তমান সময়ত সেই উৎসাহ-উদ্দীপনা লুপ্ত হৈ পৰা দেখিবলৈ পোৱা গৈছে। কিয়নো বৰ্তমান সময়ত পুৰুষৰ সমানে মহিলাও বিভিন্ন কৰ্মত নিজকে নিয়োগ কৰা দেখিবলৈ পোৱা গৈছে। যাৰ ফলত মানুহে নিজৰ কৰ্মক লৈয়ে ব্যস্ত হৈ পৰিছে। সেয়ে পিঠা-পনা, লাডু ইত্যাদি ঘৰতে নবনায় বজাৰৰ পৰা কিনি আনিহে খায়; বিশেষকৈ চহৰৰ বাসিন্দা-সকলে। গাঁৱত বাস কৰা প্ৰায় মানুহে কিন্তু এতিয়াও নিজৰ ঘৰত বনোৱা পিঠা-লাডু খাইহে তৃপ্তি লভে।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ মনবোৰো সলনি হৈ গৈছে। যিমানে দিন হৈ আহিছে সিমানে মানুহৰ মাজত মিলাপ্ৰীতি, আন্তৰিকতাৰ ভাৱ ক্ৰমান্বয়ে কমি অহা দেখিবলৈ পোৱা গৈছে। কিয়নো পূৰ্বতে ৰাইজে মিলি উৰুকাৰ নিশা একেলগে ভোজ-ভাত খাই গোটেই নিশা ৰং তামাচা কৰি ভেলাঘৰতে কটাইছিল। কিন্তু বৰ্তমান সময়ত উৰুকা বুলি নিজৰ পৰিয়ালৰ সদস্যখিনি মিলিহে এসাঁজ খায়। আনকি বৰ্তমান সময়ছোৱাত মেজিৰ প্ৰচলনো কমি অহা দেখিবলৈ পোৱা গৈছে। বিশেষকৈ চহৰত বাস কৰা প্ৰায় সংখ্যক মানুহেই মেজি, ভেলাঘৰ নাসাজে।

খেল-ধেমালিয়ে মানুহক আনন্দ প্ৰদান কৰে। বিভিন্ন ৰং-তামাচা-ফুৰ্তি সম্পৰ্কীয় সমন্বয়সূচক খেল-ধেমালি

পূৰ্বতে ঠায়ে ঠায়ে কণী যুঁজ, নাৰিকেল যুঁজ, বুলবুলি যুঁজ, মহ যুঁজ, কুকুৰা যুঁজ আদি খেল মাত্ৰ বিহু উৎসৱতে অনুষ্ঠিত হৈছিল। যাৰ জৰিয়তে বিহুৱলীয়া অসমীয়াই উপভোগ কৰে মানসিক ভোগ ওৰফে আনন্দ। ইফালেতো নাম-কীৰ্তন, ভাওনা-সবাহ আদি আছেই। কিন্তু বৰ্তমান সময়ত এই খেলসমূহ কিছু কিছু ঠাইতহে অনুষ্ঠিত হোৱা দেখিবলৈ পোৱা যায়।

যি কি নহওঁক ভোগালীৰ ভোগ-ৰূপ-ৰস আনন্দ কম-বেছি পৰিমাণে আমি উপভোগ কৰিবয়েই লাগিব। তেহে আমি অসমীয়া হৈ থাকিব পাৰিম। নহ'লে আমাক সকলোৱে হাঁহিব — আমাৰ অসমীয়াৰ এক নাইকিয়া হ'ব।

৮.০০ উপসংহাৰ :

জনসাধাৰণৰ বস্তুবোৰ যিদৰে সদায় একেৰূপে নাথাকে কোনো এঠাইৰ উৎসৱ- অনুষ্ঠানসমূহো চিৰকাল একেটা ৰূপতে নাথাকে। যিকোনো উৎসৱৰ লগতে জড়িত লোকাচাৰে জীৱনত কৰণীয় দিশবোৰ মনত পেলাই দিয়ে। উদাহৰণস্বৰূপে : বহাগ বিহু, কাতি বিহু, মাঘ বিহুৰ লোকাচাৰে মানৱ সমাজত প্ৰভাৱ পেলায়। লোকাচাৰে কোনো অসামাজিক ব্যক্তিক সমাজে জীৱনৰ মাজলৈ লৈ আনিব পাৰে। সামাজিকৰণ এনে এক সামাজিক প্ৰক্ৰিয়া যাৰ সহায়ত ব্যক্তি বিশেষে সমাজৰ লগত সংগতি স্থাপন কৰিব পাৰে।

"তক্ৰশ্যংকৰা গাঁৱৰ কৃষিভিত্তিক উৎসৱ অনুষ্ঠান : পৰম্পৰা আৰু বিশ্বায়নৰ প্ৰভাৱ" শীৰ্ষক গৱেষণামূলক আলোচনাক সৰ্বমুঠ ছয়টা অধ্যায়ত বিভাজন কৰা হৈছে। গৱেষণামূলক কৰ্মৰ প্ৰথম অধ্যায় 'গাঁৱৰ পৰিচয়'ত গাঁৱৰ ভৌগোলিক স্থিতি, সীমা, মাটিকালি, জনসংখ্যা, জীৱিকা, ধৰ্ম, প্ৰসিদ্ধ স্থানৰ লগতে নলবাৰী জিলাৰ চমু আলোচনা কৰা হৈছে।

গৱেষণামূলক কৰ্মৰ দ্বিতীয় অধ্যায় 'সংস্কৃতিৰ স্বৰূপ'ত সংস্কৃতিৰ সংজ্ঞা আৰু শ্ৰেণীবিভাজনৰ লগতে সংস্কৃতিৰ ভাগসমূহৰ চমু আভাস দিয়া হৈছে।

গৱেষণামূলক কৰ্মৰ তৃতীয় অধ্যায় 'লোকাচাৰ'ত লোকাচাৰৰ অৰ্থ, সংজ্ঞা আৰু স্বৰূপ, লোকাচাৰৰ লগতে সামাজিক সম্পৰ্ক, পৰম্পৰাগত উৎসৱ অনুষ্ঠানৰ গুৰুত্বৰ

বিষয়ে উল্লেখ কৰা হৈছে।

গৱেষণামূলক কৰ্মৰ চতুৰ্থ অধ্যায় 'বহাগ বিহুৰ লোকাচাৰত গৰু বিহু, মানুহ বিহু, ভেটেলী উৎসৱ পালন, প্ৰসাধন হিচাপে জেতুকা, বহাগ বিহুত খোৱা এশ এবিধ শাকৰ পৰম্পৰা আৰু বিশ্বায়নৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা হৈছে।

গৱেষণামূলক কৰ্মৰ পঞ্চম অধ্যায় 'কাতি বিহুৰ লোকাচাৰত তুলসী গছ ৰোৱা, আকাশ বন্তিৰ পৰম্পৰাৰ লগতে বিশ্বায়নৰ প্ৰভাৱৰ উল্লেখ কৰা হৈছে।

গৱেষণামূলক কৰ্মৰ ষষ্ঠ অধ্যায় 'মাঘ বিহুৰ লোকাচাৰত মাঘ বিহুৰ নীতি-নিয়ম, লোকবিশ্বাসৰ লগতে বিশ্বায়নৰ প্ৰভাৱৰ চমু আভাস দিয়া হৈছে।

গৱেষণাৰ বিষয়সমূহৰ পৰা দেখা যায় উৎসৱ-অনুষ্ঠানে মানুহক উৎসাহিত কৰে, ইজনক সিজনৰ প্ৰতি শ্ৰদ্ধাশীল কৰি তোলাৰ লগতে আনন্দত মতলীয়া কৰি উদ্বুদ্ধ কৰি তোলে। তদুপৰি নাচ-গান, পূজা-সেৱা ইত্যাদি অনেক অনুষ্ঠান উৎসৱৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে। কিন্তু গাঁৱৰ উৎসৱ-অনুষ্ঠানসমূহৰ সম্পৰ্কে কৰা পৰ্যালোচনাৰ পৰা দেখা গৈছে যে প্ৰতিটো উৎসৱ-অনুষ্ঠান মূল উৎসৱৰ পৰা কালক্ৰমিক পৰিৱৰ্তন ঘটি বিশ্বায়নৰ গ্ৰাসত সোমাই পৰিছে। যাৰ ফলত উৎসৱ-অনুষ্ঠানসমূহৰ পূৰ্বৰ দৰে মাদকতা নোহোৱা হৈ পৰিছে।

# গ্ৰন্থপঞ্জী


১। গগৈ, চাও লোকেশ্বৰ : অসমৰ লোকসংস্কৃতি(২), প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী ২০১১

২। ডেকা, লীনা : সংস্কৃতিৰ ৰূপৰেখা, প্ৰথম প্ৰকাশ, ২০১২

৩। দাস অংশুমান : অসমৰ উৎসৱ-পাৰ্বণ ব্ৰতলি, প্ৰথম জাগৰণ প্ৰকাশ, ২০১২ জুলাই

৪। দাস নাৰায়ণ (মুখ্য সম্পা) : অসমৰ সংস্কৃতি-কোষ, দ্বিতীয় প্ৰকাশ, জুলাই ২০১৪

৫। বৰুৱা বিৰিঞ্চি কুমাৰ : অসমৰ লোক-সংস্কৃতি, প্ৰকাশ, ২০১৮ মাৰ্চ

৬। ভূঞা মণিমা : লোক-সংস্কৃতিৰ ৰূপদৰ্শন, প্ৰকাশ, ২০১৭

৭। মহন্ত সমীন্দ্ৰ নাথ, সমৰ তালুকদাৰ : নলবাৰীৰ ৰূপলিখা স্মৃতি গ্ৰন্থ, প্ৰথম প্ৰকাশ, ২০১৭

৮। লেখাৰু জিতু কুমাৰ : অসমৰ লোক-উৎসৱ আৰু লোকসংস্কৃতি, প্ৰথম প্ৰকাশ, ডিচেম্বৰ ২০০৮, গুৱাহাটী


৯। শৰ্মা নবীন চন্দ্ৰ : অসমীয়া লোক-সংস্কৃতিৰ আভাস, প্ৰথম প্ৰকাশ, ১৯৮৯

## সংবাদদাতা

| নাম | বয়স | স্থান |
|---|---|---|
| শ্রী সমীন কুমাৰ বৰুৱা | ৫০ | তন্ত্ৰশাং কৰা |
| শ্রী অশ্বিনী ডেকা | ৪৬ | তন্ত্ৰশাং কৰা |
| শ্রী হেমন্ত ডেকা | ৫৪ | তন্ত্ৰশাং কৰা |
| শ্রী ৰঞ্জিত ডেকা | ৪৪ | তন্ত্ৰশাং কৰা |
| শ্রী চান্দ্ৰপ্ৰভা ডেকা | ৫২ | তন্ত্ৰশাং কৰা |
| শ্রী ভবানী বৰুৱা | ৪৮ | তন্ত্ৰশাং কৰা |

# আলোকচিত্ৰ

চিত্ৰ নং - ১





শ্ৰী শ্ৰী কলীয়া ঠাকুৰ সত্ৰ কীৰ্ত্তন ঘৰ

চিত্ৰ নং-২




দক্ষিণ কুৰুৱী নামঘৰ

চিত্ৰ নং-৩



গৰু বিহু

চিত্ৰ নং- ৪



বিহু নৃত্য

চিত্ৰ নং - ৫



তুলসীৰ তলত বন্তি প্ৰজ্বলন

চিত্ৰ নং - ৬



পথাৰত চাকি জ্বলোৱা পৰ্ব

চিত্ৰ নং — ৭



ভোগালীৰ জলপান

চিত্ৰ নং-৮



মেজি